# জৱাহৰজ্যোতি

## জৱাহৰলাল নেহৰু মহাবিদ্যালয় আলোচনী

৩৬ তম সংখ্যা

২০১৩-২০১৪বৰ্ষ

JAWAHARJYOTI

The Magazine of JAWAHARLAL NEHRU COLLEGE, BOKO

Issue : XXXVI Year : 2013-2014



তত্বাৱধায়িকা
ড° জয়শ্ৰী ভূঞা

সম্পাদক
নিপজ্যোতি বৰ্মন

সহঃ সম্পাদক
মঃ চাহিদুল ইছলাম

**'Jawaharjyoti'**

*The annual magazine of Jawaharlal Nehru College, Published on behalf of students' union 2013-1014, Jawaharlal Nehru College, Boko, Kamrup, Assam.*

**জৱাহৰজ্যোতি প্ৰকাশৰ বাটতঃ**

| | | |
|---|---|---|
| সভাপতি | ঃ | ড° নৃপেন গোস্বামী, অধ্যক্ষ |
| তত্বাৱধায়িকা | ঃ | ড° জয়শ্ৰী ভূঞা |
| সম্পাদক | ঃ | নিপজ্যোতি বৰ্মন |
| সহঃ সম্পাদক | ঃ | মঃ চাহিদুল ইছলাম |
| শিক্ষক সদস্য | ঃ | উমেশ চন্দ্ৰ কৰ |
| | | যুগল কিশোৰ নাথ |
| | | বিজয়া ডেকা |
| | | ড° আলোক দাস |
| | | ভৈৰৱী বড়ো |
| ছাত্ৰ সদস্য | ঃ | চম্পক ৰাভা |
| অংগসজ্জা- পৰিকল্পনা | ঃ | সম্পাদনা সমিতি |
| মুদ্ৰণ | ঃ | শিৱানী অফ্‌চেট প্ৰিণ্টাৰ্চ, শান্তিপুৰ, গুৱাহাটী |
| বেটুপাতৰ স্কেটচ্ | ঃ | মৃনাল বড়ো |

# শ্ৰদ্ধাঞ্জলি


*২০১৪ চনৰ চেপ্তেম্বৰ মাহত হোৱা প্ৰলয়ংকৰী বানত বৃহত্তৰ বকো অঞ্চলৰ যি সকল ব্যক্তিয়ে প্ৰাণ হেৰুৱালে সেই সকল ব্যক্তিলৈ শ্ৰদ্ধাঞ্জলি যাঁচিলো।*

**সম্পাদনা সমিতি**


# কৃতজ্ঞতা

*যি সকল ব্যক্তিৰ সহায় সহযোগত জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ মুখ-পত্ৰ "জৱাহৰজ্যোতি"ৰ ৩৬ তম সংখ্যাই পূৰ্ণাঙ্গ ৰূপলৈ প্ৰকাশ পালে সেই সকলোলৈকে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।*

**সম্পাদনা সমিতি**



# অধ্যক্ষৰ মেজৰ পৰা...



দক্ষিণ পশ্চিম কামৰূপৰ বকো অঞ্চলৰ একমাত্ৰ উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান "জৱাহৰলাল নেহৰু মহাবিদ্যালয়ে" এইবেলি ২০১৩-২০১৪ বৰ্ষত ৫০ টা বসন্ত গৰকিলে। কেইগৰাকীমান ব্যক্তিৰ নান্দনিক চিন্তা আৰু যৎপৰোনাস্তি চেষ্টা আৰু সমাজৰ প্ৰতি থকা দায়বদ্ধতাৰ ফলশ্ৰুতিত জন্ম লাভ কৰা এই মহাবিদ্যালয়ৰ স্বৰ্ণিল জীৱন গাঁথা অলেখ বৰ্ণিল ঘটনাৰে সুসমৃদ্ধ। জন্মলগ্নৰে পৰা আজিলৈকে সফলতাৰে স্বৰ্ণজয়ন্তী পাৰ কৰা এই মহাবিদ্যালয়ে শৈক্ষিক, সাংস্কৃতিক, ক্ৰীড়া জগতকে আদি কৰি বিভিন্ন প্ৰশংসনীয় পদক্ষেপ আগবঢ়াই আহিছে। বকো অঞ্চলৰ উঠি অহা তৰুণ-তৰুণীক পোহৰৰ সন্ধান দিবলৈ গঢ় দিয়া এই মহাবিদ্যালয়খনক সময়ৰ সোঁতত আগবঢ়াই নিবলৈ আমি অধ্যক্ষ হিচাপে আমাৰ সাধ্যানুসৰি যিমানখিনি পাৰিছো চেষ্টা কৰিছো, অৱশ্যে কৰণীয় আৰু বহুতো আছে।

মহাবিদ্যালয়খনৰ বাৰ্ষিক মুখপত্ৰ "জৱাহৰজ্যোতি"য়ে পুনৰ বাৰ 'জ্যোতি'ৰ সন্ধান দিবলৈ সাজু হৈছে। আমি আশা ৰাখিছোঁ পূৰ্বৰ দৰে এইবাৰো গল্প, কবিতা, প্ৰবন্ধৰে সুসমৃদ্ধ হৈ জৱাহৰজ্যোতিয়ে ভুমুকি মাৰিব আৰু পাঠকক ৰসাপ্লুত কৰিব। ছাত্ৰ-ছাত্ৰীসকলৰ কোমল মনৰ কোমল অনুভূতিবোৰৰ স্বতঃস্ফূৰ্ত প্ৰকাশৰ মাধ্যম এই 'জৱাহৰজ্যোতি'। 'জৱাহৰজ্যোতি'ৰ পাতত আত্মপ্ৰকাশ কৰা বহুজন এতিয়া প্ৰতিষ্ঠিত কবি, সাহিত্যিক।

শেষত, ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি এষাৰ কথা ক'ব বিচাৰিছোঁ, দেশৰ এই সংকটপূৰ্ণ অৱস্থাত তেওঁলোকে হাতত কলম তুলি লওক, তৰোৱাল বা বন্দুক নহয়—অহিংসা আৰু প্ৰেমেৰে মানুহৰ মন জয় কৰিবলৈ শিকক—সেয়াহে প্ৰকৃত জয়। নিৰাশাক প্ৰশ্ৰয় নিদি, লক্ষ্য স্থিৰ কৰি তেওঁলোক আগবাঢ়ি যাওক, জীৱনৰ জটিলতাৰ সৈতে মুখামুখি হৈ পলায়ন নকৰি জীৱনৰ স্থিতিৰ প্ৰতি এক সবল প্ৰত্যাহ্বান ঘোষণা কৰিবলৈ সংকল্প লওক, জয় অৱশ্যম্ভাৱী। কবিৰ ভাষাৰে—

ভগৱানেতো তোমাক দিম বুলি  
অঙ্গীকাৰ কৰা নাই  
সদায় এখন নীলা আকাশ ...  
সদায় ফুল ছটিয়াই থোৱা এটি মসৃণ পথ  
ভগৱানেতো এই বুলি কোৱা নাই  
যে বৃষ্টি নাথাকিব  
থাকিব কেৱল সূৰ্য  
দুখ নাথাকে ...  
থাকিব কেৱল সুখ আনন্দ  
যাতনা নাথাকে  
থাকিব কেৱল শান্তি ...

সেয়ে—ধোৱা বাৰুদে আকাশ ক'লা কৰা সময়ত, জীৱনৰ জটিল বাটত, দুখৰ বৃষ্টিৰ দিনতো যেন আজিৰ তৰুণ-তৰুণী ভাগি নপৰে—অফুৰন্ত সাহস, উৎসাহ-উদ্দীপনাৰে জীৱনৰ বাটত বাট বুলে।

'জৱাহৰজ্যোতি'ৰ উত্তৰোত্তৰ উন্নতি কামনাৰে—

**ড° নৃপেন গোস্বামী**

*অধ্যক্ষ*

জৱাহৰলাল নেহৰু মহাবিদ্যালয়, বকো

# সম্পাদকৰ কলম...



*"উদ্দেশ্য যদি মহৎ, কৰ্ত্তব্যত যদি শিথিলতা নাথাকে*

*ব্যৰ্থতা কেতিয়াও আহিব নোৱাৰে।"*

**—ৰবীন্দ্ৰ নাথ ঠাকুৰ**

"জৱাহৰজ্যোতি" জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী। জৱাহৰলাল নেহৰু মহাবিদ্যালয়খন ১৯৬৪ চনতে স্থাপিত আৰু এখন অতিশয় ঐতিহ্যমণ্ডিত উচ্চ শিক্ষাৰ অনুষ্ঠান। মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনীখন হৈছে এই অনুষ্ঠানটোৰ জীৱন প্ৰৱাহৰ প্ৰতীকী স্বৰূপ। ই মহাবিদ্যালয়খনৰ অন্তৰ্গাঠা।

যিকোনো কাম কৰিবলৈ শ্ৰম আৰু ধৈৰ্য্যৰ প্ৰয়োজন। আলোচনী এখন সাজু কৰি উলিওৱাৰ ক্ষেত্ৰত যথেষ্ট শ্ৰম আৰু ধৈৰ্য্যৰ প্ৰয়োজন হয়। অভিজ্ঞতাৰ পৰা মই ক'বলৈ বাধ্য হৈছো যে আজিৰ নৱ প্ৰজন্মৰ মাজত সৃষ্টিশীল কৰ্মৰ প্ৰতি অৱজ্ঞা আৰু অনীহা আহিছে। সাহিত্য সৃষ্টিৰ ক্ষেত্ৰটো মই একেই অনুভৱ কৰিছো। ছাত্ৰ-ছাত্ৰীসকলৰ পৰা বিভিন্ন বিষয়ৰ লেখা বিচাৰি মই হাবাথুৰি খাবলগীয়া হৈছে। যথাসময়ত ছাত্ৰ-ছাত্ৰীসকলৰ পৰা লেখা আদি নোপোৱাৰ ফলত এই ৩৬ তম সংখ্যা আলোচনীখন প্ৰকাশত বিলম্ব ঘটিছে। অৱশ্যে এইটো স্বীকাৰ কৰিব লাগিব যে আমাৰ ছাত্ৰ-ছাত্ৰীৰ মাজত অতি কম সংখ্যক হলেও ন-শিকাৰু সাহিত্য অনুৰাগী আছে। ইয়াৰ দ্বাৰা আমি সুন্দৰ ভৱিষ্যতৰ কল্পনা কৰিব পাৰো।

অতি দুখেৰে জনাওঁ যে ২০১৪ চনৰ চেপ্তেম্বৰ মাহত আকস্মিকভাৱে হোৱা অনাকাংক্ষিত বানপানীয়ে আমাৰ অঞ্চলটোৰ বহু ক্ষতি কৰি থৈ গ'ল। এই প্ৰলয়ংকৰী বানত আমাৰ মহাবিদ্যালয়ৰ বহু ছাত্ৰ-ছাত্ৰীৰ কিতাপ-পত্ৰ ঘৰ-বাৰী আদি নষ্ট হৈ গৈছে। ইয়াৰ ফলতো আমাৰ আলোচনীখনৰ কাম-কাজত ব্যাঘাত জন্মে। আমাৰ আলোচনীখন পলমকৈ প্ৰকাশ পোৱাৰ এইটো এটা অন্যতম কাৰণ।

মহাবিদ্যালয়ৰ আলোচনী বিভাগৰ শিক্ষাগুৰু ড° জয়শ্ৰী ভূঞা বাইদেউৰ চেষ্টাৰ ফলত আলোচনীখনে প্ৰকাশৰ মুখ দেখিলে। এই সুযোগতে তেখেতক মই কৃতজ্ঞতা জনালো।

আমাৰ মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয় ড° নৃপেন গোস্বামী ছাৰৰ সহায়-সহযোগিতা অবিহনে আলোচনীৰ যাৱতীয় কাম সম্ভৱ হৈ নুঠিলহেঁতেন। গতিকে তেখেতৰ প্ৰতি মই বিশেষভাৱে কৃতজ্ঞ।

এখন আলোচনী অকলে প্ৰস্তুত কৰি উলিৱাব নোৱাৰি। সকলো দিশত সহায়-সহযোগিতা, দিহা-পৰামৰ্শৰ দৰকাৰ। আমাৰ আলোচনীখন প্ৰস্তুত কৰোতে সম্পাদনা সমিতিৰ সদস্য, অধ্যাপক-অধ্যাপিকাসকলে বিভিন্ন সহায় সহযোগিতা আগবঢ়াইছে। মই তেওঁলোক সকলোকে বিশেষভাৱে কৃতজ্ঞতা জ্ঞাপন কৰিছো।

আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সমূহ সদস্য-সদস্যা আৰু তত্ত্বাৱধায়ক শিক্ষাগুৰুসকলৰ প্ৰতি মই ধন্যবাদ জ্ঞাপন কৰিছো। ছপাশালৰ সমূহ কৰ্মকৰ্তালৈ আমাৰ কৃতজ্ঞতা যাচিছোঁ।

এখন ঐতিহ্য মণ্ডিত মহাবিদ্যালয়ৰ আলোচনী বিভাগৰ সম্পাদক হিচাপে কাৰ্য্যনিৰ্বাহ কৰিবলৈ পোৱাটো পৰম সৌভাগ্যৰ বিষয় বুলি মই বিবেচনা কৰিছো। নিজৰ সীমাবদ্ধতা সত্বেও এই গুৰুভাৰ গ্ৰহণ কৰিবলৈ পাই মই অতিশয় আনন্দিত হৈছো। শেষত নজনাকৈ হব পৰা ভুল-ত্ৰুটীৰ বাবে সকলোৰে ওচৰত মই ক্ষমা মাৰ্জনা বিচাৰিছো।

**নিপজ্যোতি বৰ্মন**

*সম্পাদক*

# সূচীপত্ৰ


| | | |
|---|---|---|
| অতীতৰ খেতিয়ক সকলৰ কিছুমান লাগতিয়াল সঁজুলিৰ বিৱৰণ | প্ৰাঞ্জল ৰাভা | ১-৩ |
| আহোম যুগৰ মৈদামৰ ওপৰত এটি আলোকপাত | নিতুমণি ৰাভা | ৪ |
| কোচসকলৰ ইতিবৃত্ত | কৃষ্ণা ৰাভা | ৫ |
| "সাম্প্ৰতিক পৰিস্থিতিত পৰিৱেশ অধ্যয়নৰ আৱশ্যকতা" | দিম্পী দাস | ৬-৭ |
| বকো অঞ্চলৰ লোক সংস্কৃতি | শ্ৰীবিশ্বজিৎ শালৈ | ৮ |
| পুলিন দাৰ সোঁৱৰণত | নিপজ্যোতি বৰ্মন | ৯ |
| আহোম যুগত নিৰ্মিত শিৱসাগৰ জিলাৰ বিভিন্ন কীৰ্তি চিহ্নসমূহ | নিবেদিতা ৰাভা | ১০ |
| ত্ৰাস, অবিশ্বাস আৰু অন্ধবিশ্বাস | সীমান্ত ৰাভা | ১১-১২ |
| মোৰ দিনলিপিৰ ভাষাৰে কলেজৰ এটি পাহৰিব নোৱাৰা স্মৃতি | গৌৰৱজ্যোতি বড়ো | ১৩ - ১৫ |
| নিৰ্মল শৰৎ | মিচ লোপামুদ্ৰা ৰাভা | ১৫ |
| চাহৰ দোকানৰ পৰা দিল্লী দৰবাৰলৈ নৰেন্দ্ৰ মোদী | প্ৰকাশ ছেত্ৰী | ১৬ |
| ভূটানৰ বিদ্যুতে পোহৰাই তুলিবনে অসমক | জ্যোতিপ্ৰসাদ বড়ো | ১৭ - ১৮ |
| আনৰ হক নষ্ট কৰা আৰু হাৰাম মাল সংগ্ৰহ কৰা মহা পাপ | মিছ ৰূপচানা অহমেদ | ১৯ |
| গণশিল্পী খগেন মহন্ত ঃ সোণৰ ৰথে পথে পথে সাঁচ বহুৱাই | ড° প্ৰাণেশ্বৰ নাথ | ২০-২৩ |
| ভ্ৰমণৰ মিঠা অনুভৱ | ড° দীপাংকৰ শৰ্মা | ২৪-২৬ |
| উপকাৰী অণুজীৱ ঃ প্ৰোবায়'টিক্স | ৰেখা ছেত্ৰী | ২৭-২৮ |
| বীৰ চিলাৰায় | অনামিকা ৰাভা | ২৮ |
| ভাৰতৰ পৰিষ্কাৰ চহৰ Mawlynnong | নন্দা দেৱী | ২৯-৩০ |
| জিজ্ঞাসা | ভণ্টিদীপা ৰাভা | ৩০ |
| নাঙেলী গীত | বিজয়া ডেকা | ৩১-৩৩ |
| আত্মবিশ্বাস | নিপজ্যোতি কলিতা | ৩৩ |
| আকৌ কেতিয়ালৈ লগ পাম তহঁতবোৰক | চন্দনা ৰাজবংশী | ৩৪ |
| পৰুৱাই বাট চিনে কেনেকৈ? | যতীন্দ্ৰ বড়ো | ৩৪ |
| ভয় | বিশ্বজিৎ শালৈ | ৩৫ |
| প্ৰেম, ভালপোৱা আৰু বন্ধুত্ব | নবজিৎ কলিতা | ৩৬ |
| জানি থোৱা ভাল | মিনাক্ষী বড়ো | ৩৬ |
| Economics ক্লাছ আৰু আমি | জিতুল ঠাকুৰীয়া | ৩৭ |
| পৃথিৱীৰ উৎপত্তি কেনেকৈ হৈছিল? | যতীন্দ্ৰ বড়ো | ৩৮ |
| সেই যে চেঁকুৰা ঘোঁৰাটো | ড° ক্ষীৰোদ কুমাৰ ঠাকুৰীয়া | ৩৯ |
| ল'ৰালি | মিচ অনামিকা কলিতা | ৪০ |
| প্ৰেমৰ চাকি গছি | মিচ অম্বিকা ৰাভা | ৪১ |
| আশা | শ্ৰীঋতুপৰ্ণা কলিতা | ৪১ |

# সূচীপত্ৰ


| | | |
|---|---|---|
| তোমালৈ বুলি দু-আষাৰ মান কথা | গৌৰৱ জ্যোতি বড়ো | ৪১ |
| মনত পৰে সেই ৰুমাল খনি | প্ৰফুল্ল দাস | ৪২ |
| উপলব্ধি | মিচ্ মনোমতী কলিতা (ঠিনা) | ৪২ |
| শৰতৰ ৰাতি বাঁহীৰ বিননি | প্ৰিয়ংকা ৰাভা | ৪২ |
| তুমিয়েই নেকি | শ্ৰীবৰষা পাটোৱাৰী | ৪৩ |
| যেতিয়া তুমি কাষত আছিলা | সঞ্জয় ৰাভা | ৪৩ |
| মোৰ প্ৰথম প্ৰেমৰ ৰূপ | পংকলিনী দাস | ৪৩ |
| বেদনা | শ্ৰীভনিতা দাস | ৪৪ |
| নিষ্ঠুৰ ডাৱৰ | মিচ ভাগ্যশ্ৰী বড়ো | ৪৪ |
| বাহুত এদিন | নুৰ ইছলাম | ৪৪ |
| প্ৰেম এক মিঠা অনুভূতি | ভাস্কৰ চৌধুৰী | ৪৫ |
| জৱাহৰজ্যোতি | মিচ ভন্টিদীপা ৰাভা | ৪৫ |
| তুমি, মই আৰু বৰষুণ | নয়ন মণি নাথ | ৪৬ |
| গীত | শ্ৰী ইমন তালুকদাৰ | ৪৬ |
| ক্ষন্তেকীয়া আশা | নয়ন জ্যোতি ৰাভা | ৪৬ |
| জীৱনৰ ৰং | শ্ৰীদেৱ কুমাৰ দাস | ৪৭ |
| শীত | পৰীস্মিতা দাস | ৪৭ |
| শৰত ঃ এটি অৱলোকন | স্বৰ্ণময়ী তালুকদাৰ | ৪৮ |
| মই প্ৰকৃতি | কল্পকীৰ্তি দাস | ৪৮ |
| অপৰূপা | পৰীস্মিতা দাস | ৪৯ |
| প্ৰকৃতি কন্যা | মনামী ডেকা | ৫০ |
| প্ৰকৃতি আৰু সৃষ্টি | গোবিন্দ বড়ো | ৫০ |
| প্ৰশ্নোত্তৰ | | |
| আপুনি, মই আৰু যুৱ প্ৰজন্মৰ সৈতে এখন্তেক জৱাহৰজ্যোতিৰ সম্পাদনা সমিতিৰ পৰা পোৱা প্ৰশ্নসমূহৰ উত্তৰ | কেশৱ চন্দ্ৰ ৰাভা | ৫১-৫৩ |
| গল্প এটাৰ অন্তৰালত | | ৫৪-৫৮ |
| অবৈধ প্ৰেম | পৰীস্মিতা দাস | ৫৯ -৬১ |
| বৃষ্টিপাতৰ দুবাহুত সোণপাহিৰ সান্নিধ্য | মনামী ডেকা | ৬২ |
| আধুনিক পৃথিৱীত ৰমলা | নিপজ্যোতি কলিতা | ৬৩ |
| প্ৰতীক্ষা | বিশ্বজিৎ সূত্ৰধৰ | ৬৪-৬৫ |
| জীৱনৰ প্ৰতিশ্ৰুতি | ত্ৰিশংকু ঠাকুৰীয়া | ৬৬-৬৭ |
| | মৌচুমী ৰাভা | ৬৮ |

# সূচীপত্ৰ


| | | |
|---|---|---|
| My Aptitudes for the subject Economics | Bidyut Jyoti Mahanta | ৬৯ |
| DIGITAL LIBRARIES : Needs, Technology and Benefits | Anamika Baishya | ৭০-৭১ |
| The Most Important Food Crops in Whole World | Nayan Jyoti Rabha | ৭২ |
| Inclusive Education | Mrs. Dipanjali Kalita | ৭৩-৭৪ |
| Curiosity Leads To Knowledge & Concentration | Hrishikesh Nath | ৭৪ |
| A sketchy knowledge of North East India | Pallabi Dutta Baruah | ৭৫-৭৮ |
| हौवा लिरगिरिनि नोजोराव बर आइजो | भैरवी बर | ৭৯-৮০ |
| ककबरक रावनि आथोन : बेनि सुंद' फोरमायथि | समायश्री खाखलारी | ৮১-৮৩ |
| जिन्दगी | आरती चेत्री | ৮৪ |
| समायना सिखला | राजिव बर | ৮৪ |
| जिउनि बै गोसोम जोमैय | बारदै बर | ৮৫ |
| मिथिंगा | राजिब बर | ৮৫ |
| Report | Abhijit Rabha | ৮৬ |
| Report From Debate and Symposium | Pallabi Dutta Baruah | ৮৭ |
| সাধাৰণ সম্পাদকৰ প্ৰতিবেদন | শ্ৰীচম্পক ৰাভা | ৮৮ |
| সাংস্কৃতিক সম্পাদকৰ প্ৰতিবেদন | ধীৰাজ ৰাভা | ৮৯ |
| ক্ৰীড়া বিভাগৰ সম্পাদকৰ প্ৰতিবেদন | দেৱজিৎ শৰ্মা | ৯০ |
| আলোচনী সহঃ সম্পাদকৰ প্ৰতিবেদন | ছাহিদুল ইছলাম | ৯১ |
| খেল সম্পাদকৰ প্ৰতিবেদন | গৌৰৱ জ্যোতি বড়ো | ৯২ |
| সহঃ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন | ৰাজীৱ ডেকা | ৯৩ |
| সমাজ সেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন | সমীৰ কলিতা | ৯৪ |
| ছাত্ৰ জিৰণি কোঠা সম্পাদকৰ প্ৰতিবেদন | জীতেন্দ্ৰ ৰাভা | ৯৫ |
| ছাত্ৰী জিৰণি কোঠা সম্পাদীকৰ প্ৰতিবেদন | মিচ্ নিতু খাখলাৰী | ৯৬ |
| ফলাফল, ক্ৰীড়া বিভাগৰ খেলৰ ফলাফল সমূহ | | ৯৭ |
| ফলাফল, সংগীত বিভাগৰ প্ৰতিযোগিতাৰ ফলাফল | | ৯৮-১০১ |
| Governing Body | | ১০২ |
| LIST OF FACULTY MEMBERS | | ১০৩ |
| FACULTY OF SCIENCE | | ১০৪ |
| LIST OF NON-TEACHING STAFF | | ১০৪ |
| APPENDIX, EX-EDITORS WITH THE PROFESSORS-IN-CHARGE OF 'JAWAHARJYOTI' | | ১০৫ |
| APPENDIX, EX. GENERAL SECRETARY OF THE STUDENT'S UNION | | ১০৬ |
| UNION BODY, JAWAHARLAL NEHRU COLLEGE, BOKO | | ১০৭ |

# অতীতৰ খেতিয়ক সকলৰ কিছুমান লাগতিয়াল সঁজুলিৰ বিৱৰণ

প্ৰাঞ্জল ৰাভা
স্নাতক প্ৰথম ষাণ্মাসিক (বিজ্ঞান)

সাধাৰণতে ককাদেউতাহঁতৰ দিনৰ পৰাই চলি আহিছে যে অসমীয়া মানুহে খেতিৰ লগত জড়িত। কিন্তু কালৰ সোঁতত, যান্ত্রিকতাৰ সৃষ্টি হোৱাই যেন আজিৰ অসমীয়াই এতিয়া কৃষি কর্ম অনিশ্চয়তা প্ৰকাশ কৰিছে। বর্তমান আজিৰ শিক্ষিত যুৱক-যুৱতী বা নৱ প্ৰজন্মৰ বহুতেই খেতি বা খেতিৰ সঁজুলিৰ বিষয়ে বহুতো কথাই নাজানে বা অজ্ঞ। অথচ নিজে খেতিয়কৰ ল'ৰা বা ছোৱালী। সেয়ে এই লেখাটি আগবঢ়ালোঁ। আশাকৰোঁ আমাৰ বন্ধু-বান্ধৱীসকলে জানিব পাৰি সুখী হব।

নাঙল আৰু যুঁৱলি (নাঙল-জুঙাল) ঃ

খেতিয়কৰ খেতিৰ প্ৰধান আহিলা হৈছে নাঙল আৰু যুঁৱলি, এই নাঙল তৈয়াৰ কৰিবলৈ জামুক, পমা, শাল, নাইবা সোনাৰু গছ হলে ভাল হয়, পাৰিলে গছৰ কিছু বেকা অংশ পালে সাজিবলৈ সুবিধা হয়, গছৰ গা-ডোখৰৰ ৬ ফুটমান অংশ কাটি আনি তাক ছাচ, দা, ঘা হাতোৰাহীৰে ছাছি ছাছি নাঙলৰ আকৃতি দিয়া হয়। নাঙল হাতেৰে ধৰা অংশক কুটী বুলি কোৱা হয় আৰু মাটি চহাবলৈ ব্যৱহাৰ কৰা অংশ টুকুৰাত ৰোল সংযোগ কৰা হয় আৰু মাটি চহাবলৈ ব্যৱহাৰ কৰা অংশ টুকুৰাত ৰোল সংযোগ কৰা হয় যাক কোৱা হয় ফাল। ফালখন নাঙলৰ তলৰ অংশৰ খোলনিত মজবুতকৈ লাগি থাকিবলৈ এডাল বাঁহৰ শলা লগোৱা হয়, তাক কোৱা হয় বেঙা বুলি। ফালখনৰ ওপৰত এটা ফুটা কৰি তাত বাঁহৰ গুড়ি সহিতে ৭ ফুটমান দৈৰ্ঘ্যৰ এটা বাঁহৰ ইহ লগোৱা হয়। ইহৰ আগফালে কেইটামান খাজ কাটি ৰখা হয়, সেই খাজত জুৱলিখন ৰছীৰে বান্ধিব পাৰে।

প্ৰায় ৬ ফুটমান দৈর্ঘ্যৰ এটুকুৰা ভলুকা বাঁহ দুই মূৰে গাঠিৰে সৈতে কাটি জুৱলি বনোৱা হয়, জুৱলিৰ দুয়োটা মূৰত গৰুৰ ডিঙি সোমাব পৰাকৈ জোখেৰে দুটা ফুটা (ইপাৰ সিপাৰকৈ কৰা খোলনি) কৰি সেই ফুটাৰে দুটা বাঁহৰ খতি সুমুৱাই দিয়া হয়, যাতে গৰুৰ ডিঙিটো ইফালে-সিফালে লৰচৰ নকৰে। সেই খুটি দুটাক শালমাৰি বোলে। জুৱলিৰ সোঁ-মাজেৰে দুটা সৰু ফুটা কৰি সৰু সৰু দুটা বাঁহৰ সলা লগাই দিয়া হয়, সেই দুটাক নিগনি খুটি বুলি কোৱা হয়। তাৰ তলেদি নাঙলৰ ইহটো দি ৰছীৰে বান্ধি দিয়া হয়।

নাঙল আৰু জুৱলি তৈয়াৰ হোৱাৰ পাছত বলধ গৰু দুটাৰ কান্ধত জুৱলিৰ দুই মূৰ লগাই বান্ধি দি হালোৱাই নাঙলৰ কুটীত ধৰি পথাৰত ঘূৰাই ঘূৰাই হাল বায়। হাল বোৱাৰো নিয়ম আছে, এপাক এপাক কৈ এটা নির্দিষ্ট অংশ চহাই শেষ হলে সেই অংশক এটা আউচ বুলি কোৱা হয়। এডৰা মাটি এবাৰ চহাই লোৱা হলে এচাহ মাৰা হ'ল বুলি কোৱা হয়। এনেদৰে এডৰা মাটি কেইবাবাৰো চাহ মাৰিলেহে খেতিৰে উপযুক্ত হৈ উঠে (অধিক বোকা হয়)।

**মৈ ঃ** দুই ফাল ৭ ফুটমান দৈর্ঘ্যৰ বাঁহক পথালিকৈ ৰাখি মাজত খোলনি কৰি ২, ৩ ফুটমান দৈর্ঘ্যৰ ৪ ডোখৰ বাঁহক সংযোগ কৰি তৈয়াৰ কৰি লোৱা হয় মৈ, দেখিবলৈ মৈ ধেনুভিৰিয়া আকৃতিৰ। হাল মৰাৰ শেষত পথাৰত ডাঙৰ ডাঙৰ চপৰাবোৰ (সৰু সৰুকৈ মাটি গুৰি কৰি) ভাঙিবলৈ মৈ ব্যৱহাৰ কৰা হয়। জুৱলিৰ পৰা নাঙল সোলকাই মৈখন দীঘল দুডাল ৰছীৰে জুৱলিৰ লগত সংযোগ কৰি দিয়া হয়, হালোৱাই মৈৰ মাজৰ থিয় বাঁহথ পাত দুখোৰত ভৰি দি থিয় হৈ গৰু হালক নির্দেশ দি আগুৱাই লৈ যায়।

**লাহনি ঃ** পানী সিচাত ব্যৱহাৰ কৰা এবিধ সঁজুলি। তেলৰ টিন বা আন টিনৰ দুই ফুটমান কাটি এটা মূৰত বাঁহৰ নাল এটা লগাই আৰু আনটো মূৰত পথালিকৈ বাঁহৰ শলা এডাল লগাই টিন ডোখৰ আৰু নালৰ মাজত সংযোগ কৰি ৰখা হয়।

**ওখোনা ঃ** আগলি বাঁহৰ ৫ (পাঁচ) ফুটমান আৰু সেই বাঁহৰ আগভাগত লাগি থকা আখি এটাৰ ৬ ইঞ্চিমান ৰাখি (বাঁহৰ গঠৰ গাঁঠি) কাটি লোৱা হয় আৰু সেই আগলি বাঁহডোখৰৰ গোটেই গাটো কটাৰী বা দাঁৰে চাচি নিমজ কৰি লোৱা হয়। গাঠি অংশ ৰছী বা তাঁৰেৰে বান্ধি জুইত কিছু সময় সেকি ধেনু আকৃতিৰ কৰি লোৱা হয়। সাধাৰণতে ইয়াক মৰণা মৰাৰ কামত মৰণাৰ খেৰবোৰ জোকাৰিবলৈ বা গোটাবলৈ ওখোনা ব্যৱহাৰ কৰা হয়। ঠাই বিশেষে এই সঁজুলিবোৰক বেলেগ বেলেগ নামেৰ জনা যায়।

**বিৰিয়া ঃ** এফাল ভলুকা বাঁহ দুই মূৰে জোঙা কৰি ছাচি লৈ নিমজ কৰা হয়, মাজৰ অংশটি দুই মূৰতকৈ কিছু বহল আকাৰৰ কৰা হয়, যাতে কান্ধত লবলৈ সুবিধা হয়। এই বিৰিয়া (ভাৰবাতী) পথাৰৰ পৰা ধানৰ মুৰিয়া (দাঙৰী) বোৰ দুই মূৰত ৪ খাচ মাৰি

চিলাই কান্ধত লৈ অনা কামত ব্যৱহাৰ কৰা হয়। দুই মূৰত অতি কমেও ৫ টাকৈ ১০ টামান মূৰিয়া (দাঙৰী) কঢ়িয়াই আনিব পাৰি।

**হোলোঙা ঃ** বিৰিয়া আৰু হোলোঙাৰ ব্যৱহাৰ প্ৰায় একে। পাৰ্থক্য মাথো এটাই বিৰিয়া এফাল বাহৰে ব্যৱহাৰ কৰা হয়। কিন্তু হোলোঙা গোটা বাঁহৰে ব্যৱহাৰ কৰা হয়।

**কাঁচি ঃ** লোৰে তৈয়াৰী এবিধ সঁজুলি। ইয়াক ধান কটা কামত ব্যৱহাৰ কৰা হয়। দেখিবলৈ কাঁচিখন সাইলাখ কাঁচি জোনটোৰ দৰেই একে। সাধাৰণতে কমাৰেহে কাঁচি, কোৰ, নাঙলৰ ফাল আদি তৈয়াৰ কৰিব পাৰে। কাঁচিৰ এটা ফালে সৰু সৰু বেকা আগৰ পৰা গুৰিলৈকে অসংখ্য ধাৰ থকা দাঁত থাকে যিয়ে ধান সহজে কটাত সহায় কৰে। গুৰিৰ অংশটো কিছু ডোঙা কৰা থাকে যাতে তাত হাতেৰে ধৰিব পৰাকৈ এটা নাল লগাবলৈ সুবিধা হয়, নালটো কাঠৰে হাতৰ মুঠিৰ জোখেৰে কাটি লৈ এটা মূৰত বেৰি (লোৰ আঙুঠি সদৃশ) লগোৱা হয় যাতে নালটো কেনেবাকৈ ফাটি নাযায়। বেৰি নালৰ মূৰত লগাই ললে কাঁচিৰ জোঙা অংশটি জুইত গৰম কৰি গৰমে গৰমে সেইটো বেৰিৰ মাজেদি নালটোত সুমুৱাই দিয়া হয়।

**কোহোনা (ৰইনা) ঃ** ধান মেলিবলৈ আৰু গোটাবলৈ কোহোনা ব্যৱহাৰ কৰা হয়। দেখাত ধেনুখনৰ আকৃতিৰ কাঁটৰ তক্তাৰে তৈয়াৰ কৰা হয়। কাঁঠৰ বহল তক্তা এখন অৰ্থ-চন্দ্ৰাকৃতিত কাটি লৈ ধেনুভেৰিয়া অংশটোৰ পৰা ২ ইঞ্চিমান তলত আৰু সোঁ আৰু বাওঁফালৰ পৰা সোঁ-মাজত এটা ফুটা কৰি বাঁহৰ এটা ৬ ইঞ্চিমান দীঘল এটা নাল লগোৱা হয়।

**গৰুগাড়ী ঃ** দুটা কাঁঠৰ চকাযুক্ত এখন গাড়ী যাক এহাল বলধ গৰুৰে টানি লৈ যায়। পথাৰৰ ধান ঘৰলৈ কঢ়িওৱা কামত এই গৰু গাড়ী ব্যৱহাৰ কৰা হয়। গৰুগাড়ীৰ আগ অংশত নাঙলত ব্যৱহাৰ কৰাৰ দৰেই এখন জুৱলি থাকে। এই জুৱলিটো হালৰ দৰে দুফালে দুটা বলধ গৰু লগাই গাড়ী চলোৱা হয়। গাড়ীখনৰ দুয়োফালে দুটা কাঠেৰে তৈয়াৰী চকা থাকে, চকাৰ দান্তিবোৰ কাঠেৰে তৈয়াৰ কৰা হয়। কাঠৰ দুটা চকাত এচটা ফাল লগোৱা থাকে যাতে চকাবোৰ চলিলে সহজে কাঠবোৰ ক্ষয় বা নষ্ট হৈ নাযায়, চকাৰ মাজৰ অংশটোক ঢোল বুলি কোৱা হয়। চকা দুটাৰ আকাৰ এটা বৃত্তৰ দৰে আৰু প্ৰায় ১.৫০ মিটাৰমান ওখ থাকে। চকা দুটা এডাল লোহাৰ ধৰাৰে সংযোগ হৈ থাকে, ধুৰাডালৰ দুই মূৰত চকা কেইটা সহজে ঘূৰিব পৰাকৈ মৰাপাট মেৰিয়াই দি তাত তেল লগাই দিয়া হয়। এই ধুৰাডাল আকৌ গাড়ীখনৰ লগত দুয়োফালে দুটা টেটেলা আৰু দুডাল বাঁহৰ ঘৰৰ লগত লগ হৈ সংযোগ হৈ থাকে। টেটলা হ'ল কাঠেৰে তৈয়াৰী দুই মূৰ সৰু আৰু মাজৰ ঠাইত অলপ মোটা, মোটা অংশটোত একোটকৈ খাজ কৰা থাকে যাতে ধুৰাডাল সেই খাজত খাপ খাই পৰে। টেটেলাৰ ওপৰৰ ফালটোত আকৌ ফৰজাল খাপ খাব পৰাকৈ খাজ কৰা থাকে। ফৰ মানে হৈছে ভলুকা বাঁহৰ ১২ ৰ পৰা ১৪ ফুটমান দীঘল টুকুৰা, জুৱলিৰ লগত সংলগ্ন হৈ একেবাৰে গাড়ীৰ পাছৰ অংশলৈকে থাকে। এক কথাত কবলৈ গলে এতিয়াৰ ইন্ধন চালিত গাড়ীৰ যিটো আমি ছেচিছ বুলি কওঁ সেইটোৰ কাম কৰে। গাড়ীৰ চাঙখন বাঁহৰ কামিৰে বৈ বৈ তৈয়াৰ কৰি লয়। চাঙখনৰ আগফালৰ অংশত এচটা সৰু কাঠৰ তক্তা আৰু পাছৰ অংশত এচটা দীঘল তক্তা লগোৱা থাকে। এই তক্তা দুখনৰ দুই মূৰত দুটাকৈ বাঁহৰ ২ ফুটমান ওখ খুটা লগাই তাত বাঁহৰ দাং লগাই দিয়া হয়। খুটাৰ ওপৰৰ দাংগৰি যাব নোৱাৰাকৈ ৰছীৰে তলৰ চাংখনৰ লগত ওপৰৰ পৰা তললৈ পকাই পকাই দিয়া হয়। এখন গৰু গাড়ী সাজোতে অতি কমেও ১৫ ৰ পৰা ২০ দিন মান সময় লাগে। গৰুগাড়ীৰ চালকজনক আকৌ গাৰোৱান বুলি কোৱা হয়।

**মোখোৰা ঃ** মোখোৰা হ'ল বাঁহৰ সৰু সৰু ১ ছেঃমিটাৰ মান বহল কাঠিৰ লগত ৫ মিলিমিটাৰ মান ডাঠ কাঠি তুলি গৰুৰ মুখৰ আকৃতিত বৈ বৈ তৈয়াৰ কৰা হয়। ইয়াক দেখিবলৈ আমাৰ প্লাষ্টিকৰ মগ এটাৰ দৰে। মৰণা মাৰোতে বা হাল বাওঁতে গৰুৰ মুখত পিন্ধাই দিয়া হয় যাতে, গৰুহালে ধান বা অন্য খেতি খাব নোৱাৰে।

**জাপি ঃ** বাঁহ আৰু তালগছৰ পাত বা টকো গছৰ পাত ব্যৱহাৰ কৰি জাপি তৈয়াৰ কৰা হয়। এই জাপি ৰ'দ-বৰষুণৰ পৰা ৰক্ষা পাবলৈ ব্যৱহাৰ কৰা হয়, জাপি বিহুত আৰু সন্মান সূচক সম্বৰ্দ্ধনা জনাবলৈও ব্যৱহাৰ কৰা হয়। জাপিৰ আকাৰ বিভিন্ন ধৰণৰ আছে। বৰ জাপি সৰু জাপি। খেতিপথাৰত ব্যৱহাৰ কৰা জাপিৰ আকাৰ ১ মিটাৰতকৈ কম বহল ঘূৰণীয়া (বৃত্তাকাৰ)। মাজ অংশটোত হালোৱাজনৰ মূৰত খাপ খাব পৰাকৈ এটা ডোঙা কৰা অংশ থাকে। প্ৰথমতে ঘূৰণীয়া আকৃতিৰ (চালনি আকৃতি) মাজত সৰু সৰু ফাক এটা দুটা দুখল ছাল লৈ বৈ তৈয়াৰ কৰি লোৱা হয়; এই চালনি আকৃতিৰ ছাল দুখও বওঁতে একেবাৰে কেন্দ্ৰবিন্দুৰ পৰা আৰম্ভ কৰি ৮ ইঞ্চিমান বৈ যোৱা হোৱাৰ পাছত টকো পাত বা তাল পাত ঘূৰণীয়াকৈ কাটি দুইখন ছালৰ মাজত পাৰি দিয়া হয়, আৰু ঠায়ে ঠায়ে গাঢ়ি দিয়া হয়।

**দোন ঃ** দোন আকৃতি দেখিবলৈ একেবাৰে বগা কোমোৱা

এটাতকৈ অলপ ডাঙৰ পাত্ৰ। কঠিয়া ধান (ধানৰ সঁচ) সহজতে ৰাখিবলৈ ব্যৱহাৰ কৰা হয় দোন। জাতি বাঁহৰ কাঠি তুলি এক মিটাৰ মান দীঘল আৰু প্ৰায় ২.৫ ফুট বহল কৈ এখন বাকলি (ছাল সদৃশ) বৈ তৈয়াৰ কৰা হয় আৰু সেইখন মেৰিয়াই এটা ২ ফুটমান বহল চুঙা আকৃতিৰ কৰি এটা মূৰ মোখনি মাৰি (বাঁহৰ কাঠিৰে বান্ধি) দিয়া হয়। বাৰ মিহলি ধান ভালৰো ভাল ধান বাচি লৈ পিছৰ বছৰৰ বাবে সাচি সঁচ হিচাপে ৰাখিবলৈ দোনৰ ভিতৰখন ধানখেৰেৰে অলপো সুৰুঙা নথকাকৈ ভৰাই লোৱা হয়। কেনিও যাতে কোনো চিদ্ৰ নাথাকে তাক নিশ্চিত কৰিবলৈ কঠিয়া ধানখিনি সযতনে দোনটোত ভৰাই দোনৰ মুখখন বান্ধি দিয়া হয়। এনেদৰে দোনৰ ভিতৰত বহু দিনলৈ কঠিয়া ধান সাঁচি ৰাখিব পাৰি।

ডুলি ঃ পথাৰৰ পৰা শষ্য ঘৰলৈ আনি বছৰটোৰ বাবে সাঁচি ৰাখিবলৈ ডুলি ব্যৱহাৰ কৰা হয়। সাধাৰণতে ভঁড়াল নাথাকিলে বা ভঁড়ালত ধান ৰাখিবলৈ প্ৰয্যাপ্ত ঠাইৰ অভাৱ হলেই ডুলিত ধান থবলৈ ব্যৱহাৰ কৰা হয়। ডুলিটো ওখ প্ৰায় ২ ৰ পৰা ২.৫ মিটাৰ মান ওখ আৰু ১.৫ ৰ পৰা ২ মিটাৰমান বহল থাকে। বাঁহৰ ১ ইঞ্চিমান বহল কাঠি তুলি চাৰি বোৱাৰ নিচিনাকৈয়ে ডুলিৰ বাবেও বেৰ আৰু তলখন বৈ তৈয়াৰ কৰা হয়। ওপৰৰ ফালৰ মুখখন খোলাকৈ ৰখা হয় ধান উলিয়াবলৈ আৰু ভঁৰাবলৈ।

ভঁড়ালঘৰ ঃ ধান সংৰক্ষণ কৰি ৰাখিবলৈ ব্যৱহাৰ কৰা ঘৰ। খেতিয়কে শস্য পথাৰৰ পৰা চপাই আনি সেই শস্য বছৰটোৰ কাৰণে বা ভৱিষ্যতৰ কাৰণে সংৰক্ষণ কৰিবলৈ ব্যৱহাৰ কৰা হয়। দেখাত থকা ঘৰৰ দৰেই মাথো ইয়াৰ মজিয়াখন মাটিৰপৰা ২ ফুটমান ওপৰত ৰাখি ঘৰটো সজা হয়, মাটিৰ পৰা মজিয়াখন ওপৰত সজা হয় যাতে শস্যবোৰ সহজে মাটিৰভাপ লাগি সেমেকি বা নষ্ট হৈ নাযায়। ঘৰটো কাঠ বা বাঁহেৰে সজা হয়, মজিয়াখন মাটিৰ পৰা ওপৰত ৰাখিবলৈ ডাঙৰ কাঠৰ টুকুৰা বা ডাঙৰ শিল ব্যৱহাৰ কৰা হয়। যাক আমি উধান বুলি কওঁ। ওপৰৰ ছালখন খেৰেৰে চোৱা হয়। ভঁৰালৰ ভিতৰত বাঁহৰ বাকলি (বেৰ) পৃথক পৃথককৈ দি কেইবাটাও কোঠা বনোৱা হয়, যাতে বেলেগ বেলেগ ধান বেলেগ বেলেগ কৈ ৰাখিব পাৰি। ভঁড়ালৰ চাৰি বেৰৰ বাহিৰত মজিয়াৰ ১ ফুটমান বাঢ়ি থাকে।

এনেদৰে ককাদেউতাই আগতে এনেকৈয়ে খেতিৰ সামগ্ৰীবোৰ নিজে সাজি লৈ খেতিৰ কামবোৰ কৰিছিল।

## সাধাৰণ জ্ঞান ঃ

জিতুল ঠাকুৰীয়া
পঞ্চম ষান্মাসিক

ক) ভাৰতৰ সৰ্বপ্ৰথম কবি কোন আছিল ?
উত্তৰ ঃ মহৰ্ষি বাল্মিকী।

খ) বিশ্বৰ কোনখন দেশত মহ পোৱা যায়?
উত্তৰ ঃ ফ্ৰান্স।

গ) বিশ্বৰ কোনখন দেশত কাপোৰত বাতৰি ছপোৱা হয়?
উত্তৰ ঃ স্পেইন।

ঘ) কোনটো জীৱৰ চকু জাপ নাযায় ?
উত্তৰ ঃ মাছ।

ঙ) বিশ্বৰ কোনখন ঠাইত সূৰ্যটো সেউজীয়া দেখা পায় ?
উত্তৰ এন্টাৰ্কটিকা।

চ) সকলোতকৈ অধিক বিবাহ কৰোৱা পুৰুষজন কোন আছিল ?
উত্তৰ ঃ আমেৰিকা স্কাট বোল্ম। ২৯ বাৰ বিবাহ ৪১টা ল'ৰা-ছোৱালী (বিশ্ব ৰেকৰ্ড)

ছ) কোনটো প্ৰাণীৰ তিনিটা চকু থাকে ?
উত্তৰ ঃ টু আটেৰা, যাক জেঠীৰ দৰে দেখি।

জ) জুই চিটিকি পৰা গছডাল ক'ত আছে ?
উত্তৰ ঃ মালায়ছিয়াত।

ঝ) বিশ্বৰ কোনটো পক্ষীয়ে বাঘৰ দৰে মাত লগায় ?
উত্তৰ ঃ বিৰ্টন পক্ষী (দক্ষিণ আমেৰিকা)

ঞ) কোনটো মাছে কাৰেণ্টৰ জন্ম দিয়ে ?
উত্তৰ ঃ তাৰপীডে, ইলেকট্ৰিক ইল মাজ।

ট) কোনটো চৰাইৰ মাত সকলোতকৈ মধুৰ হয় ?
উত্তৰ ঃ বুল বুল।

# আহোম যুগৰ মৈদামৰ ওপৰত এটি আলোকপাত

নিতুমণি ৰাভা
পঞ্চম ষান্মাসিক (ইতিহাস)

ত্ৰয়োদশ শতিকাত অৰ্থাৎ ১২২৮ খ্ৰীষ্টাব্দত ব্ৰহ্মদেশৰ মাওলুং ৰাজ্যৰ ৰাজকোঁৱৰ অৰ্থাৎ আহোম ৰাজ্যৰ প্ৰতিষ্ঠাপক চুকাফাৰ নেতৃত্বত এটি দল পাটকাই পৰ্বত পাৰ হৈ আহি অসমত আহোম ৰাজ্যৰ পাতনি মেলিছিল। তেওঁলোক 'টাই' বা 'হান' বংশৰ লোক আছিল। আহোমসকলে প্ৰথম সময়ছোৱাত হাবুং, শিমলুগুৰি, টিপাম, শলগুৰি, অভয়াপুৰী আদি স্থানত আনুমানিক ভাৱে তেওঁলোকৰ ৰাজধানীৰ ভেটি স্থাপন কৰিছিল; বানপানীৰ প্ৰকোপ বেছি কাৰণে এই স্থান সমূহ তেওঁলোকে ত্যাগ কৰি ১২৫৩ খ্ৰীষ্টাব্দত প্ৰথম আনুস্থানিক ভাবে স্থায়ীকৈ চৰাইদেউত আহোমৰ ৰাজধানীৰ ভেটি স্থাপন কৰিছিল। আহোমসকলে একমাত্ৰ শাসক আছিল যিয়ে নেকি অসমৰ ৬০০ বছৰকাল ৰাজত্ব কৰিছিল।

আহোমসকলৰ ৰাজত্বকালৰ সময়ছোৱাতে আহোম অৰ্থাৎ স্বৰ্গদেউ আৰু ৰাজপৰিয়ালৰ কোনো লোকৰ মৃত্যু হলে মৈদাম দিয়া প্ৰথা প্ৰচলিত আছিল। এই মৈদামৰ আভিধানিক অৰ্থ হ'ল— প্ৰাচীন কালত মৃতদেহ মাটিত পুতি তাৰ ওপৰত দিয়া মাটিৰ দম বা সমাধি। মৈদামত দিবৰ বাবে কাঠৰ তক্তাৰে দীঘলে দীঘলে শৰটো সোমাব পৰাকৈ এটা বাকচ তৈয়াৰ কৰা হয়। এই কাঠৰ বাকচটোক আহোমৰ মতে 'ৰঙ্গ-ডাঙ্গ' টো থোৱা হয়। সেই ঠাইত আকৌ এটা ঘৰ নিৰ্মাণ কৰা হয়। এই ঘৰটো শাল কাঠৰ তক্তাৰে নিৰ্মাণ কৰে। তেওঁলোকৰ মতে এই ঘৰটোক 'কাৰেঙ্গ-ৰঙ্গ-ডাঙ্গ' বুলি কয়। 'ৰঙ্গ-ডাঙ্গ'টোৰ চাৰিওফালে চাৰি চটা, দুমূৰে দুচটা, মুঠতে ছয় চটা তক্তা থাকে আৰু তক্তা কেইচটা উৰিয়াম কাঠৰ হব লাগিছিল।

সাধাৰণ আহোমলোকৰ মৈদাম আৰু সম্ভ্ৰান্ত বংশীয় আহোম লোকৰ মৈদামৰ মাজত যথেষ্ট প্ৰভেদ দেখা যায়। সাধাৰণ লোকৰ মৃত্যু হলে মৃতকৰ লগত মৃতকে ব্যৱহাৰ কৰা কিছুমান বস্তু দি শৰটো পূৱ দিশত মূৰ আৰু পশ্চিম দিশত ভৰি দি পুতি থৈছিল। কিন্তু স্বৰ্গদেউৰ মৃত্যু হলে মৈদামত দিবৰ বাবে 'ৰঙ্গ-ডাঙ্গ' তৈয়াৰ কৰি তেওঁ ব্যৱহাৰ কৰা প্ৰায় সকলো বয়-বস্তুৰ লগতে সোণ-ৰূপ, হাতী, ঘোঁৰা, আনকি লিগিৰা-লিকচৌ আদিও দিয়াৰ প্ৰথাও প্ৰচলিত আছিল। স্বৰ্গদেউ ৰুদ্ৰসিংহৰ আগলৈকে মৈদামত জীয়া লগুৱা-লিকচৌ আদি পোতাৰো নিয়ম আছিল। (গদাধৰ সিংহৰ ৰাজত্বৰ সময়ছোৱালৈকে)। কিন্তু ৰুদ্ৰ সিংহই নানান কৌশলেৰে এই কু-প্ৰথাটো বন্ধ কৰাইছিল।

আহেমা স্বৰ্গদেউসকলৰ মৈদাম সমূহ সাধাৰণতে চৰাইদেউ পাহাৰতে দিয়া হৈছিল। ইয়াৰ উপৰিও যোৰহাটৰ ৰজা মৈদাম, দিখৌপাৰ মেটেকাৰ মৈদাম, ডিব্ৰুগড়ৰ খোবাং বাগানৰ বহি খোৱা ফুকনৰ মৈদাম, গুৱাহাটীৰ বামুনী মৈদাম (বাওনী মৈদাম) আদি উল্লেখযোগ্য।

মৈদামবোৰ চোৰাচিতা কৰিবৰ কাৰণে আহোম সকলৰ এটা খেল আছিল। এওঁলোকক 'মৈদামীয়া' বুলি কোৱা হৈছিল।

পিছলৈ যেতিয়া আহোম স্বৰ্গদেউসকলেও হিন্দু ধৰ্মৰ প্ৰতি অধিক আকৃষ্ট হৈছিল তেতিয়াৰ পৰাই মৈদাম দিয়াৰ প্ৰথাও ক্ৰমান্বয়ে কমি আহিছিল।

'বৰ ৰজা' ফুলেশ্বৰী কুঁৱৰীৰ ৰাজত্বৰ সময়ছোৱাৰ পৰাই সাধাৰণ আহোম লোকৰ শৰ অগ্নিদাহ প্ৰথাৰে সৎকাৰ কৰাৰ প্ৰথা প্ৰৱৰ্তন কৰিছিল। লক্ষ্মী সিংহ স্বৰ্গদেউৰ দিনতহে পোন প্ৰথমে স্বৰ্গদেউ ৰাজেশ্বৰ সিংহৰ মৃতদেহ অগ্নিদাহ প্ৰথাৰে সৎকাৰ কৰাৰ পিছৰ পৰাহে আহোম ডা-ডাঙৰীয়া আৰু স্বৰ্গদেউ সকলৰ বাবেও এই অগ্নিদাহ প্ৰথাৰে মৃতকৰ সৎকাৰ প্ৰথা প্ৰচলন ঘটিছিল। ৰাজেশ্বৰ সিংহৰ শৰ দাহন কৰি তাৰ ছাইখিনি চৰাইদেউ পাহাৰত তেওঁ ব্যৱহাৰ কৰা কিছু সংখ্যক বস্তু পোতা হৈছিল আৰু ওপৰতে মৈদাম সাজি দিয়া হৈছিল।

এগৰাকী বিদেশী পৰ্যটকে তেওঁৰ টোকাত উল্লেখ কৰিছে যে ৮০ বছৰৰ আগতে পোতা এগৰাকী ৰাণীৰ মৈদাম খান্দোতে সোণৰ টেমী এটাত খোৱা পাণ এখিলা তেতিয়াও কেঁচা অৱস্থাতে উদ্ধাৰ কৰা হৈছিল।

বৰ্তমানেও এই মৈদাম সমূহে বিভিন্ন ধৰণৰ আহোম যুগৰ স্মৃতি বহন কৰি আহিছে। এই মৈদাম সমূহ বৰ্তমান আমাৰ কাৰণে অতি আপুৰুগীয়া সম্পদ ; বহুতো মৈদাম ধ্বংস স্তূপত পৰিণত হৈ গৈ আছে। সেয়েহে যিহেতু এই মৈদামবোৰ আমাৰ বাবে আপুৰুগীয়া সম্পদ, অসম বুৰঞ্জীৰ আপুৰুগীয়া সম্পদ সেয়েহে ইয়াক আমি সকলোৰে ৰক্ষণাবেক্ষণ দিয়াটো কৰ্তব্য আৰু উচিত।

*সহায়ক গ্ৰন্থপঞ্জী ঃ*

১। নাথ ড° ডম্বৰুধৰ - *অসম বুৰঞ্জী*, ২০০৫, গুৱাহাটী।

২। দেৱী ড° লক্ষ্মী - *অসম দেশৰ বুৰঞ্জী*, এল.বি.এছ. পাব্লিকেশ্যন, ১৯৮৭

৩। বৰুৱা শান্তনু কৌশিক -*অসম বুৰঞ্জীৰ নানা কথা*, ৰেখা প্ৰকাশন, ২০০৯

(লিখনিটো যুগুতোৱাত পৰামৰ্শ আগবঢ়োৱা শ্ৰদ্ধাৰ যুতিকা পাতিৰ বাইদেউলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।)

# কোচসকলৰ ইতিবৃত্ত

কৃষ্ণা ৰাভা
পঞ্চম যান্মসিক (ইতিহাস)

মেন বংশৰ উচ্ছেদ হোৱাৰ পিছত কমতা ৰাজ্য বা কামৰূপ কমতাত কোঁচ সকলৰ ৰাজত্ব আৰম্ভ হয়।

**কোচসকলৰ পৰিচয় ঃ** কোচসকল নকৈ গঢ়ি উঠা জাতি নহয়। তেওঁলোক প্ৰাচীন কামৰূপ ৰাজ্যৰ অধিবাসী বা ভূমিপুত্ৰ। ঐতিহাসিকসকলে কোচ সকলক মংগোলীয় প্ৰজাতিৰ বুলি অনুমান কৰে। কোচ বুলিলে সাধাৰণতে কছাৰী, মিকিৰ, লালুং, গাৰো ইত্যাদি লোকসকলক কোচ সম্প্ৰদায় বুলি জনা যায়। কোচসকল প্ৰধানকৈ হিন্দুধৰ্মী। এই লোকসকল মঙ্গোলীয় আৰু দ্ৰাবিড় সংমিশ্ৰণ। বৰ্তমান জলপাইগুৰি, কোচবিহাৰ, কামৰূপ আৰু গোৱালপাৰা ইত্যাদি অঞ্চলত কোচসকল বৰ্তী আছে। কোচসকলৰ নিজস্ব ভাষা আছিল যদিও কালক্ৰমত ই লুপ্ত হয়। এই ভাষাৰ অৱশিষ্ট যিকন আছে সিয়ো গাৰো ভাষাৰ লগত যথেষ্ট সাদৃশ্য আছে।

কোনসকলৰ উৎপত্তিৰ সম্পৰ্কে পণ্ডিত সকলৰ মাজত যথেষ্ট পাৰ্থক্য থকা দেখা যায়। কোচশব্দটো সংস্কৃত শব্দ 'কুৱাচ'ৰ পৰা উৎপত্তি হৈছে। কোচসকলক পুৰাণ আৰু তন্ত্ৰ শাস্ত্ৰ সমূহত 'কুৱাচ' বোলে। কিছুমান ভাষাতত্ত্ববিদৰ মাতে, 'কোচ' শব্দটো 'কম্বোজ' শব্দৰ পৰা আহিছে। কম্বোজসকল মূলতঃ তিব্বতৰ পৰা অহা মংগোলীয় গোষ্ঠীৰ লোক। সেয়েয়ে ডি.চি. চিকাৰৰ মতে কম্বোজসকলেই হল কোচসকলৰ আদি পুৰুষ। ঐতিহাসিক মিনহাজ চিৰাজে কৈছে কোচ, মেচ আৰু জনজাতিৰ লোকৰ লগত দক্ষিণ চাইবেৰিয়াৰ সাদৃশ্য আছে। কৰ্ণেল ডেলটনে কোচসকলক মংগোলীয় আৰু লেখক ৰিজলীয়ে কোচ সকলক মঙ্গোলীয়-দ্ৰাবিড় তেজৰ সংমিশ্ৰণ বুলি কৱ বিচাৰে। পণ্ডিতসকলৰ এনে ধাৰণাৰ মূল কাৰণ হ'ল— দ্ৰাবিড়সকলৰ মাজত 'ৰাজবংশী' নামৰ এক বিশেষ মূল সম্প্ৰদায় আছিল। ঊনবিংশ শতিকাৰ আগভাগত কোচসকলৰ জনসংখ্যা প্ৰায় তিনিলাখ ৫০ হাজাৰ আছিল। আৰু সেই শতিকাৰ মাজভাগত ৮ ৰ পৰা ১০-১২ লাখৰ ভিতৰত বুলি ইউৰোপীয় লেখকসকলৰ বিৱৰণীৰ পৰা জনা যায়।

কোঁচসকলৰ বিষয়ে জানিবলৈ কেইটামান সমলৰ ওপৰত নিৰ্ভৰ কৰিব পাৰি। তাৰে ভিতৰত আটাইতকৈ গুৰুত্বপূৰ্ণ সমল হ'ল সূৰ্যখড়ি দৈব্যজ্ঞই লিখা 'দৰং ৰাজবংশাৱলী' প্ৰধান। ইয়াৰ উপৰিও লক্ষ্মীনাৰায়ণ কোঁৱৰে হাতে লিখা পুথি, দীঘলীয়া শাৰি শাৰিকৈ সাঁচি পাটত বিভিন্ন ৰজাৰ বৰ্ণনা কৰা আছে।

কোঁচ ৰাজবংশধৰসকলৰ আদি পুৰুষ হ'ল হাড়িয়া মণ্ডল। তেওঁকে কোঁচসকলৰ পূৰ্বৰ প্ৰথম ৰজা হিচাপে জনা যায়। তেওঁৰ বাসস্থান আছিল বৰ্তমান গোৱালপাৰা জিলাৰ খুণ্টা ঘাট পৰগণাৰ চিকুণগ্ৰাম নামে এখন গাঁৱত। তেওঁ ১২ টা কোচ বা মেচ পৰিয়ালৰ মুখিয়াল বা মণ্ডল আছিল। তেওঁ হাজো নামৰ এজন মানুহৰ হীৰা আৰু জীৰা নামৰ দুজনী জীয়েকক বিয়া কৰাইছিল। হীৰাৰ পুত্ৰৰ নাম আছিল বিশু বা বিশ্বসিংহ আৰু জীৰাৰ পুত্ৰৰ নাম আছিল শিশু বা শিৱসিংহ। হাড়িয়া মণ্ডলৰ মৃত্যুৰ পিছত বৰপুতেক বিশুয়ে দেউতাকৰ মণ্ডল পদটো লাভ কৰিছিল। পিছলৈ বিশ্বসিংহই নিজৰ দক্ষতাৰ বলত লুকিৰ বিভিন্ন ভূঞাসকলক পৰাজিত কৰি ১৫১৫ খ্ৰীঃত ক্ষমতাত অধিষ্ঠিত হৈছিল। এই বিশ্বসিংহৰে লগৰীয়া আৰু প্ৰজাসকলে এতিয়াও নিজকে ৰাজবংশী পৰিয়াল বুলি চিনাকি দিব ধৰিছে। বিশ্বসিংহ হিন্দু ধৰ্মৰ পৃষ্ঠপোষকতা আছিল। তেওঁৰ দিনতে চিকুণগ্ৰামৰ পৰা বিহাৰ লৈ ৰাজধানী স্থানান্তৰিত কৰিছিল।

**শিৱসিংহ ঃ** বিশ্বসিংহৰ মৃত্যুৰ পিছতে ভায়েক শিশুয়ে ৰাজ্যভাৰ গ্ৰহণ কৰিছিল।

**নৰনাৰায়ণ ঃ** কোচসকলৰ এজন বিখ্যাত ৰজা হ'ল নৰনাৰায়ণ। তেওঁৰ দিনত কোচবিহাৰত থকা ৰাজধানীৰ পৰা বৰ্তমান উত্তৰ লক্ষিমপুৰৰ দক্ষিণ-পশ্চিমে অৱস্থিত নাৰায়ণপুৰলৈ ৩৫০ মাইল দীঘল এটা গড়আলি নিৰ্মাণ কৰিছিল। এই আলিৰ নিৰ্মাণৰ দায়িত্ব গোঁহাই কমলক দিছিল। সেয়েহে এই আলিটোৰ নাম 'গোঁহাই কমল আলি' নামে বিখ্যাত। ১৫৪৭ খ্ৰীঃত এই আলিৰ নিৰ্মাণ কাৰ্য্য সম্পূৰ্ণ হৈছিল। মুছলমানকাৰী সকলে বিধস্ত কৰি থৈ যোৱা গুৱাহাটীৰ ওচৰৰ নীলাচল পাহাৰত থকা বিখ্যাত কামাখ্যা মন্দিৰো তেওঁ পুনৰ নিৰ্মাণ কৰিছিল। কামাখ্যা মন্দিৰৰ ভিতৰৰ দেৱালয়ত নৰনাৰায়ণ আৰু তেওঁৰ ভায়েক চিলাৰায়ৰ দুটা মূৰ্তি কাটি থোৱা আছে। মূৰ্তি দুটাৰ তলত থকা শিলালিপিত লিখা আছে যে, নীলাচল পাহাৰত স্তূপীকৃত হৈ থকা শিলেৰে মলদেৱৰ (নৰনাৰায়ণ) ভায়েক শুক্লধ্বদে (চিলাৰায়) ১৫৬৫ খ্ৰীঃত (১৪৮৭ শক) এই কামাখ্যা মন্দিৰটো নিৰ্মাণ কৰিছিল।

১৫৮১ খ্ৰীঃত নৰনাৰায়ণে বৃহৎ কোচ ৰাজ্যখন দ্বিখণ্ডিত কৰিছিল। এই ভাগ দুটা হ'ল— সোণকোষ নদীৰ পূৱ অংশক কোচ হাজো আৰু পশ্চিম অংশ কোচবিহাৰ।

নৰনাৰায়ণৰ পিছত কোচ ৰাজবংশৰ ৰজাসকল হ'ল— ৰঘুদেৱ (চিলাৰায়ৰ পুতেক) আৰু পৰীক্ষ নাৰায়ণ (কোচ হাজো) আৰু লক্ষ্মী নাৰায়ণ (নৰনাৰায়ণ পুতেক), বীৰ নাৰায়ণ আৰু প্ৰাণ নাৰায়ণ (কোঁচ বিহাৰ)।

সহায়ক গ্ৰন্থ ঃ
বৰুৱা শান্তনু কৌশিক - *অসম বুৰঞ্জীৰ নানা কথা* (ৰেখা প্ৰকাশন - ২০০৯)
বৰকটকী ড° মীনা - *অসমৰ ইতিহাস* (গুৱাহাটী প্ৰকাশন)
দেৱী ড° লক্ষ্মী - *অসম দেশৰ বুৰঞ্জী*, এল.বি.এছ পাব্লিকেশ্যন, ১৯৮৭

# "সাম্প্ৰতিক পৰিস্থিতিত পৰিৱেশ অধ্যয়নৰ আৱশ্যকতা"

দিপ্সী দাস
চতুৰ্থ ষাণ্মাসিক (কলা)

যি বিলাক ভৌতিক আৰু জৈৱিক কাৰকে জীৱৰ উদ্ধৰ্তন, বৃদ্ধি আৰু বৰ্ধনত প্ৰভাৱ পেলায় তাকে একেলগে পৰিৱেশ বুলি কোৱা হয়। ফৰাছী শব্দ 'Environ' ৰ পৰাই ইংৰাজী 'Environment' শব্দৰ উৎপত্তি হৈছে। ইংৰাজীত 'Environment' শব্দৰ অৰ্থ হ'ল Surround অৰ্থাৎ চৌপাশ। প্ৰাকৃতিক আৰু সুশৃংখল ভাৱে জীৱনচক্ৰ অতিবাহিত কৰাৰ কাৰণে যিবিলাক কাৰক বা উপাদানে চাৰিওফালে আগুৰি থাকি জীৱক প্ৰভাৱান্বিত কৰেতাকে পৰিবেশ বুলি কোৱা হয়। আন জীৱৰ তুলনাত মানুহৰ বাবে পৰিৱেশৰ পৰিসৰ অতি ব্যাপক হয়। পৰিৱেশ সকলো সামাজিক উপাদানৰ লগতে সামাজিক আৰু সাংস্কৃতিক অৱস্থাৰ সংজ্ঞা নিৰূপন কৰে। এইটো অধ্যায়ন হৈছে পৰিৱেশৰ দ্বাৰা, পৰিৱেশক লৈ পৰিৱেশৰ কাৰণে কৰা অধ্যায়ন।

পৰিৱেশক দুই ধৰণে অধ্যায়ন কৰিব পাৰি— প্ৰাকৃতিক পৰিৱেশ আৰু মানৱসৃষ্ট পৰিৱেশ। বায়ু, পানী, মাটি, অৰণ্য ইত্যাদিকলৈ প্ৰাকৃতিক পৰিৱেশ গঠিত আৰু পৰিৱেশ ক্ৰিয়া, ঘৰ-দুৱাৰ, উপযোগিতা, সংস্থাপন ইত্যাদি মানৱসৃষ্ট পৰিৱেশ।

পৰিৱেশ অধ্যয়নে বহুতো শৃংখলাবদ্ধ বিষয়ক তাৰ পৰিসৰৰ ভিতৰত অন্তৰ্ভুক্ত কৰি লৈছে। এইসকলোবোৰ বিষয়ৰে নিজা নিজা নীতি আছে। এই নীতিসমূহে পাৰিপাৰ্শ্বিকতাৰ বিষয়ে এটি বিজ্ঞানসন্মত নিকা ধাৰণা জগাই তোলাত সহায় কৰে।

আমাৰ চাৰিওফালে থকা সকলো জৈৱ আৰু অজৈৱ সম্পদবোৰ তথা সিহঁতৰ মাজত থকা পাৰস্পৰিক সম্পৰ্কই হ'ল পৰিৱেশ অধ্যয়ন। সেইবাবে সমাজবিজ্ঞানৰ পৰা আদি কৰি বিজ্ঞানৰ সকলোবোৰ ভাগ এই পৰিৱেশ অধ্যয়নৰ অন্তৰ্গত। পৰিৱেশৰ জৈৱিক আৰু অজৈৱিক উপাদানবোৰৰ ভৌতিক আৰু ৰাসায়নিক গঠন, শক্তিৰ প্ৰবাহ তথা শক্তিৰ ৰূপান্তৰ আদিৰ বিষয়ে জানিবলৈ হ'লে পদাৰ্থ বিজ্ঞান, ভূতত্ত্ব, ভূগোল মূল নীতিবোৰ জনা অত্যান্ত প্ৰয়োজন। অংকশাস্ত্ৰ, গণনা বিজ্ঞান, পৰিসংখ্যা বিজ্ঞান আদিৰ অধ্যয়নে পৰিৱেশ ব্যৱস্থাপনাত যথেষ্ট সহায় আগবঢ়ায়। জনসাধাৰণৰ মাজত পৰিৱেশ সম্পৰ্কে সচেতনতাৰ সৃষ্টি কৰিবলৈ শিক্ষা, অৰ্থনীতি আৰু সমাজশাস্ত্ৰ অধ্যয়ন অতি অনিবাৰ্য্য। কাৰণ এটা প্ৰদূষণহীন পৰিৱেশ জীৱনটোক শংখলাবদ্ধভাৱে জীয়াই থকাত যাথাসাধ্য সহায় কৰে।

সাম্প্ৰতিক পৰিস্থিতিত পৰিৱেশ অধ্যয়নৰ গুৰুত্ব অধিক বাঢ়িছে। জনসংখ্যা বৃদ্ধি আৰু মানৱসৃষ্ট প্ৰদূষণে জনসাধাৰণৰ পৰিৱেশ শিক্ষাৰ গুৰুত্বৰ প্ৰতি সজাগতা আনিছে। প্ৰকৃতি আৰু প্ৰাকৃতিক সম্পদৰ সু-সংৰক্ষণৰ বাবে পৰিৱেশ অধ্যয়ন অতি আৱশ্যকীয়। বাস্তব্যবিদ্যাত কেৱল মানৱজীৱনৰ কথাই নাথাকে, মানৱজীৱৰ লগতে পৰিৱেশত বাস কৰা সকলো প্ৰাণী আৰু উদ্ভিদৰ জীৱন সাঙুৰ খাইথাকে। মানৱ জাতিটোৱে প্ৰাকৃতিক আৰু সামাজিক এই দুয়োখন পৃথিৱীতেই বাস কৰে। আমাৰ প্ৰযুক্তি বিদ্যাৰ উন্নতিয়ে প্ৰাকৃতিক আৰু সামাজিক উপাদানবোৰৰ ওপৰত যথেষ্ট পৰিমাণে প্ৰভাৱ পেলাইছে। বৰ্তমানৰ মানৱ জাতিৰ আৰ্য সামাজিক উন্নয়নৰ স্বাৰ্থত ভৱিষ্যত প্ৰজন্মৰ কাৰণে চিন্তা নকৰি পৰিৱেশ তন্ত্ৰত হস্তক্ষেপ কৰি যিধৰণে অদূৰদৰ্শী আৰু মাত্ৰাধিক পৰিমাণে প্ৰাকৃতিক সম্পদ ব্যৱহাৰ কৰি উন্নয়নৰ প্ৰচেষ্টা চলিছে সেই উন্নয়ন কেতিয়াও চিৰস্থায়ী হ'ব নোৱাৰে। এই উন্নয়নে যেনেদৰে বৰ্তমানৰ প্ৰজন্মক অৰ্থনৈতিকভাৱে চহকী কৰিছে ঠিক তেনেদৰে ভৱিষ্যত পংগু কৰি পেলাইছে। গতিকে উন্নয়ন বুলিলে আমি বহল দৃষ্টিত বৰ্তমান আৰু ভৱিষ্যতৰ কথা চিন্তা কৰি আগবাঢ়িব লাগিব। সামাজিক দিশবোৰৰ সৈতে উন্নয়ন আৰু পৰিৱেশৰ সম্পৰ্কে স্থাপন কৰাটো অতি প্ৰয়োজনীয় হৈ পৰিছে। সেয়েহে সাম্প্ৰতিক পৰিস্থিতিত পৰিৱেশ অধ্যয়ন অতি জৰুৰী হৈ পৰিছে।

ইয়াৰোপৰি সাম্প্ৰতিক পৰিস্থিতিত পৰিৱেশ ইমানেই ভয়াবহ হৈ পৰিছে যে জৈৱ বৈচিত্ৰতাৰ প্ৰতি ভাবুকিৰ সৃষ্টি হৈছে। বিভিন্ন ধৰণৰ উদ্ভিদ, জীৱ-জন্তু, চৰাই-চিৰিকটি আদি লুপ্তপ্ৰায়, দুৰ্লভ প্ৰজাতিত পৰিণত হৈছে। গতিকে পৰিৱেশ অধ্যয়ন কৰি কেনেদৰে এই প্ৰজাতিবোৰক সংৰক্ষণ কৰিব তাৰ বাবে কাৰ্যপন্থা হাতত লোৱাটো জৰুৰী হৈ পৰিছে।

সাম্প্ৰতিক সময়ৰ পৰিৱেশ নানা প্ৰদূষণৰে ভৰপুৰ। বিভিন্ন

ধৰণৰ কল-কাৰখানা, যান-বাহন, নগৰীকৰণ, ইন্ধনৰ দহন আদিৰ ফলত নানা ধৰণৰ প্ৰদূষণৰ সৃষ্টি হৈছে। ইয়াৰ ফলত পৰিৱেশত বিভিন্ন ধৰণৰ, যেনে- বায়ু প্ৰদূষণ, পানী প্ৰদূষণ, শব্দ প্ৰদূষণ ইত্যাদিৰ সৃষ্টি হৈছে। ইয়াৰ বাবে জীৱ জগতত বিভিন্ন ধৰণে ক্ষতি হৈছে। সেই গতিকে সাম্প্ৰতিক পৰিস্থিতিত পৰিৱেশ অধ্যয়নৰ প্ৰয়োজনীয়তা আহি পৰিছে। পৰিৱেশ অধ্যয়ন কৰিলেহে আমি এনেকুৱা ধৰণৰ প্ৰদূষণৰ পৰা হাত সাৰিব পাৰিম।

বৰ্তমান সময়ত বহনক্ষম উন্নয়নৰ বাবে প্ৰাকৃতিক সম্পদৰ অৱক্ষয় হবলৈ ধৰিছে। মানুহৰ অবিবেচক ব্যৱহাৰৰ কাৰণে বহুতো আপুৰুগীয়া প্ৰাকৃতিক সম্পদ প্ৰকৃতিৰ বুকুৰ পৰা বিলুপ্ত হ'ব ধৰিছে। এই সকলোবোৰৰ কাৰণে প্ৰাকৃতিক সম্পদসমূহ ৰক্ষা তথা সংৰক্ষণ কৰাটো অতি প্ৰয়োজনীয় হৈ পৰিছে। আমি সকলোৱে এই সম্পদসমূহ এনেদৰে ব্যৱহাৰ কৰিব লাগে যাতে আমাৰ ভৱিষ্যৎ বংশধৰ সকলেও ইয়াৰ পৰা লাভৱান হ'ব পাৰে। সেয়েহে পৰিৱেশ অধ্যয়ন কৰি প্ৰাকৃতিক সম্পদসমূহ, যেনে— অৰণ্য সম্পদ, জল সম্পদ, খনিজ সম্পদ, ভূমি সম্পদ ইত্যাদি সম্পদবোৰ সংৰক্ষণৰ ব্যৱস্থা ল'ব লাগে।

জনসংখ্যাও বৰ্তমান সময়ৰ এটা ডাঙৰ সমস্যা। জনসংখ্যাৰ অভাৱনীয় বৃদ্ধিয়ে বৰ্তমান নানা ধৰণৰ সমস্যা সৃষ্টি কৰিছে। সেয়েহে বৰ্তমান জনসংখ্যা বৃদ্ধিত নিয়ন্ত্ৰণ কৰিবলগীয়া হৈছে।

সেয়েহে ওপৰোক্ত সমস্যাবোৰৰ বাবে সাম্প্ৰতিক পৰিস্থিতিত পৰিৱেশ অধ্যয়নৰ আৱশ্যকতা আহি পৰিছে।

---

# অসমীয়া কুইজ ঃ

মৰমী ৰায়
প্ৰথম ষান্মাসিক

-অসমৰ প্ৰাচীন নাম কি আছিল ।

উত্তৰ ঃ প্ৰাগজ্যোতিষপুৰ

-অসমৰ প্ৰথম ইংৰাজী বাতৰি কাকতৰ নাম কি ।

উত্তৰ ঃ টাইমচ্ অব্ অসম ।

-অসমত প্ৰথম কুইজ প্ৰতিযোগিতা ক'ত হৈছিল ?

উত্তৰ ঃ গুৱাহাটী কটন কলেজত ।(১৯৬৫ চনত)

-আহোমৰ সৰ্বশ্ৰেষ্ঠ ৰজা কোন আছিল ?

উত্তৰ ঃ ৰুদ্ৰসিংহ ।

-ভাৰতৰ সৰ্বোচ্চ সন্মান কি ?

উত্তৰ ঃ ভাৰতৰত্ন বঁটা ।

-অসমৰ প্ৰথম কথা ছবিৰ নাম কি ?

উত্তৰ ঃ জয়মতী ।

- আমেৰিকাৰ আটাইতকৈ ওখ বিল্ডিংটোৰ নাম কি ? ইয়াৰ বিষয়ে লিখা ।

উত্তৰ ঃ উইলিচ টাৱাৰ C.S.I. ১৯৭০ চনত বনোৱা হৈছে। ৩ বছৰত সম্পূৰ্ণ হৈছে। ইয়াৰ পৰা ৪ খন ৰাজ্য দেখা পোৱা যায় । ১১০ মহপলীা বিল্ডিং (চিকাগোৰ)।

-জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ সম্পৰ্কে ঃ মোৰ কৰ্তব্য

উত্তৰ ঃ এই মহাবিদ্যালয় ১৯৬৪ চনতে স্থাপিত, আজি ৫০ বছৰে চলি আহিছে। এই মহাবিদ্যালয়ৰ নাম কওঁতে এজন মহান ব্যক্তিৰ ৰূপে পৰিচিত আৰু অতি প্ৰিয় মহাবিদ্যালয়। ইয়াৰ ৰীতি-নীতি, আদেশ-নিৰ্দেশ সকলোফালৰ পৰাই সংযতপূৰ্ণ। লগতে শিক্ষক-শিক্ষয়িত্ৰী তথা ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যত লৈ এইখন মহাবিদ্যালয়ৰ ভৱিষ্যত উজ্বল কামনা কৰিছো।

# বকো অঞ্চলৰ লোক সংস্কৃতি

শ্ৰীবিশ্বজিৎ শালৈ
দ্বিতীয় ষান্মাসিক (ক'লা)

লোক সংস্কৃতি হ'ল এটা ব্যাপক বিষয়। যাক ইংৰাজীত কোৱা হয় (Falklore) সাধাৰণতে লোক-সংস্কৃতি বোলোকে বিভিন্ন ধৰণৰ ধ্যান-ধাৰণা, আচাৰ-অনুষ্ঠান, পূজা-পাৰ্বন ধৰণৰ জনগোষ্ঠীৰ কিছুমান নিজা নিজা বৈশিষ্টই হল লোক-সংস্কৃতি। যিহেতু অসমখন বিভিন্ন জাতি-উপজাতিৰে ঢাল খাই আছে। সেই হেতুকে ইয়াত বিভিন্ন ধৰণৰ লোক-সংস্কৃতিয়ে প্ৰভাৱ বিস্তাৰ কৰাটো খাটাং।

নামনি অসমৰ এখনি সৰু চহৰ হ'ল বকো। এই বকো চহৰখন এতিয়া উন্নতিৰ শিখৰত বগাই আছে। এই বকো চহৰখন বৰ্তমান সময়ত বিভিন্ন দিশৰ পৰা চহকী হৈ উঠা দেখা গৈছে। ইয়াত বহুতো জাতি-জনজাতিয়ে বাস কৰে। তাৰ ভিতৰত কেইটামান উল্লেখযোগ্য হ'ল— অসমীয়া, বড়ো, ৰাভা, গাৰো, বঙালী, মুছলমান ইত্যাদি। মুঠতে ক'বলৈ গলে জাতিৰ ভিতৰত প্ৰায় বহুকেইটা জাতিয়ে আমাৰ এই বকো অঞ্চলটোত পোৱা যায়। ভাবিলে আচৰিত লাগে যে ইমানবোৰ জাতি-জনজাতি থকা স্বত্বেও বকোখন এখন উন্নয়নশীল ঠাইত পৰিণত হৈছে। আচলতে ইয়াত বহু কেইটা জাতি-জনজাতিয়ে নিজ নিজ সম্প্ৰদায়ক প্ৰাধান্য দি নলগা নহয়, তথাপিও এইবোৰে বৰ্তমানলৈ ভয়ংকৰ ৰূপে লোৱা নাই।

যিহেতু বকোত বিভিন্ন জাতিৰ মানুহ আছে। সেই কাৰণে ইয়াত বিভিন্ন ধৰণৰ ধৰ্ম বিভিন্ন ধৰণৰ ভাষা কোৱা মানুহো আছে। আমাৰ ইয়াত প্ৰত্যেক জাতি-জনজাতিয়ে সাজ-পোছাকৰ ক্ষেত্ৰতো প্ৰাধান্য দিয়ে। প্ৰত্যেকে নিজৰ নিজৰ ভাষা কয়, নিজা নিজা সাজ-পোছাক পিন্ধে।

বড়ো -ৰাভাসকলে সিহঁতৰ নিজা নিজা উৎসৱ সমূহ পালন কৰে। ঠিক সেইদৰে অসমীয়া সকলে ইয়াত আনন্দ, উৎসাহ, আশা-আকাংক্ষা, দুখ-বেদনাক লৈ বিহুগীত, আইনাম, লোকগীত, বনগীত, দেহ বিচাৰৰ গীত মহখেদা গীত, সবাহৰ গীত, গোসাঁই নাম নাওঁখেলৰ গীত, নিচুকণি গীত আদি গীতবোৰো ইয়াত পোৱা দেখা যায়। গাৰোসকলে সিহঁতৰ উৎসৱ 'ৱৰদিন' অতি ধুম-ধামেৰে ইয়াত পালন কৰা দেখা যায়। মুছলিমসকলে ঈদ আৰু অসমীয়া সিহঁতৰ বিহু আৰু অন্যান্য উৎসৱ সমূহ অতি ভক্তিৰ দ্বাৰা পালন কৰা দেখা যায়। বকো অঞ্চলৰ মানুহবিলাকৰ মাজত এটা গভীৰ ভাতৃত্বভাৱৰ মিল আছে। বকো অঞ্চলৰ আন এটা প্ৰধান লোক-সংস্কৃতি হৈছে সামাজিক ৰীতি-নীতি। সামাজিক ৰীতি-নীতি সমূহ বকো অঞ্চলবাসীয়ে অতি ভালদৰে পালন কৰে। যিটো বৰ্তমান যুগত প্ৰযোজ্য নহয়। সুখলগা, আই ওলোৱা, ভূত-প্ৰেতৰ বিশ্বাস এই সকলোবোৰ লোক সংস্কৃতিও বকোবাসীয়ে নমনা নহয়। এইবোৰকো অতি গুৰুত্ব সহকাৰে সানি লয় বকোবাসীয়ে। যিবোৰ বৰ্তমানৰ বৈজ্ঞানিক যুগৰ নাখাটে, যিবোৰক কিছুমান অন্ধবিশ্বাস বুলি ধৰি লোৱা হয়।

লোক-সংস্কৃতিৰ ক্ষেত্ৰত বস্তুগত সমলবোৰৰো আকৌ কিছুমান গুৰুত্বপূৰ্ণ স্থান আছে। অসমীয়া, বঙালী, বড়ো, ৰাভা আদি জাতিয়ে ঘৰ বন্ধাৰ ক্ষেত্ৰত কিছুমান নিজা নিজা বৈশিষ্ট থাকে। চাফ্-চিকুণ, কথা-বতৰা কোৱাৰ ভংগী কিছুমানতো সাধাৰণতে সিহঁতৰ বৈশিষ্ট্যবোৰ ওলাই পৰে।

আমাৰ এই বকো অঞ্চলটো সাংস্কৃতিক ক্ষেত্ৰতো পিছপৰা নহয়। প্ৰত্যেকটো জাতি, জনজাতিয়ে সিহঁতৰ নিজা নিজা গানবোৰ শুনে। আচলতে বেলেগে জাতিৰ গানৰ প্ৰতিও সিহঁতৰ ৰূপ নথকা নহয়। ঠিক তেনেদৰে নিজা নিজা সাজপাৰ পিন্ধি নৃত্য কৰাও দেখা যায়। উদাহৰণ স্বৰূপে অসমীয়া বিহুনৃত্য, বড়োসকলো বড়োনৃত্য ইত্যাদি। বিভিন্ন জাতি-জনজাতিয়ে অতি যতনেৰে সাংস্কৃতিক ক্ষেত্ৰৰ দ্বাৰা বকো অঞ্চলটিক চহকী কৰি তুলিছে। বিভিন্ন জনগোষ্ঠীৰ মাজত প্ৰচলিত থকা বাগুম্বা, ফাৰাকান্তি আদি নৃত্যই আমাৰ এই কলা-সংস্কৃতি বজাই ৰখাত সহায় কৰিছে। ইয়াৰ উপৰিও ওজাপালি, পুতলা নাচ, কামৰূপীয়া ঢুলীয়া। খুলীয়া ভাওৰীয়া, অংকীয়া ভাওনা আদিৰো আভাস আমাৰ এই বকো অঞ্চলটিত পোৱা যায়।

এই সকলো ফালৰ পৰা বকো অঞ্চলত লোক-সংস্কৃতিৰ বৈশিষ্ট্যবোৰ ধুনীয়া ধৰণে প্ৰতিফলিত হৈছে। যিবোৰৰ দ্বাৰা বকো অঞ্চলটি আগবাঢ়ি যোৱাত সহায়ক হৈছে। আমাৰ এই অঞ্চলটোৰ মানুহবোৰৰ খাদ্য সম্ভাৰো হৈছে বেলেগ বেলেগ।

আজি আমাৰ এই বকো অঞ্চলটো যিদৰে বিভিন্ন জাতি-জনজাতি থকা স্বত্বেও এডাল এনাজৰীৰে বান্ধ খাই আছে, ঠিক তেনেদৰে ভৱিষ্যতেও থাকিব বুলি মোৰ দৃঢ় বিশ্বাস ।

# পুলিন দাৰ সোঁৱৰণত

নিপজ্যোতি বৰ্মন
পঞ্চম ষান্মসিক (অৰ্থনীতি)

অসমৰ ক্ৰীড়াপ্ৰেমীৰ সম্ভৱত শেষৰ গৰাকী মহীৰূহ আমাৰ পৰা নীৰৱে বিদায় ললে। যোৱা ১৬ জুলাইত গুৱাহাটীৰ এখন আগশাৰীৰ হাস্পতালত নীৰৱে বিদায় ল'লে আমাৰ সামগ্ৰিক ক্ৰীড়াক্ষেত্ৰৰ এইগৰাকী দূৰত্ব তৰুণ, 'মাত্ৰ' ৯৬ বছৰীয়া পুলিন চন্দ্ৰ দাস।

১৯১৮ চনৰ ১ নৱেম্বৰৰ দিনা তেওঁৰ গুৱাহাটীত জন্ম হয়। সৰুৰে পৰা খেলৰ নামত তেওঁ বলিয়া আছিল। ঘৰৰ কাষতে লতাশিল খেলপথাৰ অলপ গ'লেই জজ খেলপথাৰখন পাইছিল। হাইস্কুলৰ শিক্ষা সামৰি ১৯৩৭ চনত তেওঁ কটন কলেজত নাম লগালে। ক্ৰীড়া সম্পাদক হিচাপে কটন কলেজত তেওঁ নেতৃত্ব দিছিল। ১৯৩৯ চনত তেওঁ যোগ দিয়ে বিখ্যাত গুৱাহাটী টাউন ক্লাবত। আন্তঃ জিলা ক্ৰিকেটত তেওঁ কেইবাবাৰো গুৱাহাটীক নেতৃত্ব দিছিল। তেওঁ ক্ৰিকেটৰ উপৰিও ফুটবল, হকী আৰু টেনিছ, টেবুল টেনিছৰ প্ৰতিও আকৰ্ষিত আছিল। তেওঁৰ উদ্যোগতে ১৯৪৫ চনত গুৱাহাটী ক্ৰিকেট সংস্থা, ১৯৪৮ চনত গুৱাহাটী টেবুল টেনিছ সংস্থা, ১৯৫৬ চনত গুৱাহাটী হকী সংস্থা আৰু ১৯৭৯-৮০ চনত গুৱাহাটী লন টেনিছ সংস্থাৰ জন্ম হয়।

ক্ৰিকেট আছিল তেওঁৰ প্ৰথম প্ৰেম। ১৯৪৭ চনত গঠন হৈছিল অসম ক্ৰিকেট সংস্থা। তাত তেওঁ সম্পাদক পদত আছিল। ১৯৭৯ চনলৈ তেওঁ এ.চি.এ-ৰ সম্পাদক আছিল। এ.চি.এ গঠনৰ আঁৰত তেওঁৰ প্ৰথম লক্ষ্য আছিল ব'ৰ্ডৰ দ্বাৰা আয়োজিত ৰঞ্জী ট্ৰফীত খেলিবলৈ যেন অসমেও সুযোগ পায়। ১৯৪৮ চনত এ.চি.এ-ই ভাৰতীয় ক্ৰিকেট ব'ৰ্ডৰ স্বীকৃতি লাভ কৰে। ১৯৫১ চনত ৰঞ্জী ট্ৰফীত নগাঁৱত তেওঁ উড়িষ্যাৰ বিৰুদ্ধে খেলিছিল।

১৯৪৮ চনত গঠন হোৱা অসম ফুটবল সংস্থাৰ সদস্যৰ উপৰি ৰেফাৰী ব'ৰ্ডৰো চেয়াৰমেন আছিল পুলিন দা। তেওঁ প্ৰথম শ্ৰেণীৰ ৰাষ্ট্ৰীয় ৰেফাৰীও আছিল। কলিকতা, কালিকট, নগাঁও আৰু গুৱাহাটীত অনুষ্ঠিত সন্তোষ ট্ৰফীত তেওঁ বহু মেচ পৰিচালনাও কৰিছিল। টেবুল টেনিছ সংস্থাৰ ১৯৫২ চনত সাধাৰণ সম্পাদক আছিল। ১৯৬৫ চনত নেহৰু ষ্টেডিয়াম টেনিছ ক্লাৱৰো তেওঁ প্ৰতিষ্ঠাপক সম্পাদক আছিল।

জীৱনৰ ৫০ বছৰ কাল তেওঁ ক্ৰীড়া সাংবাদিক হিচাপেও অতিবাহিত কৰিছিল। সাংবাদিকতাৰ জীৱন তেওঁ কলিকতাৰ পৰা প্ৰকাশিত কেইখনমান দৈনিক কাকতত মুক্ত সাংবাদিক হিচাপে আৰম্ভ কৰিছিল। ক্ৰীড়া বিভাগৰ ষ্টাপ ৰিপ'টাৰ হিচাপে তেওঁ ১৯৫০ চনত দৈনিক অসমীয়া কাকতত যোগ দিয়ে। তেওঁ আছাম ট্ৰিবিউন কাকতৰ হৈও কাম কৰিছিল। সুদীৰ্ঘ ২৮ বছৰ সাংবাদিকতা কৰি তেওঁ ১৯৮২ চনৰ ১১ মাৰ্চৰ দিনা কাকতখনৰ পৰা অৱসৰ লয়। তেওঁ ক্ৰীড়া সাংবাদিকতাৰ লগতে ফটোগ্ৰাফাৰ হিচাপেও সেৱা আগবঢ়াইছিল।

**সন্মান ঃ** ১৯৮৩ চনত চৰকাৰে তেওঁক ক্ৰীড়া পেন্সন প্ৰদান কৰিছিল। এই সন্মান লাভ কৰা তেওঁ আছিল ৰাজ্যৰ প্ৰথম গৰাকী ব্যক্তি। ১৯৮৮ চনত অসম ক্ৰিকেট সংস্থাই তেওঁক সন্মানীয় ব্লেজাৰ উপহাৰ দিছিল। ১৯৯১ চনৰ ১২ চেপ্টেম্বৰৰ দিনা 'ষ্টেটছমেন' কাকতে তেওঁৰ জীৱনৰ ওপৰত বিশেষভাৱে যুগুতোৱা প্ৰবন্ধ প্ৰকাশ কৰিছিল। ১৯৯৪ চনত সদৌ অসম ছাত্ৰ সংস্থা, ১৯৯৯ চনত গুৱাহাটী প্ৰেছ ক্লাৱে তেওঁক সম্বৰ্ধনা জনাইছিল। ২০১৩ চনত অসম ক্ৰিকেট সংস্থাই জীৱনজোৰা সাধনাৰ বঁটা আৰু নগদ এক লাখ টকা প্ৰদান কৰিইছল।

# আহোম যুগত নিৰ্মিত শিৱসাগৰ জিলাৰ বিভিন্ন কীৰ্তি চিহ্নসমূহ

নিবেদিতা ৰাভা
পঞ্চম ষান্মাষিক, ইতিহাস

ত্ৰয়োদশ শতিকাত ব্ৰহ্মদেশৰ মাওলুং ৰাজ্যৰ পৰা আহি আহোমসকলে পাটকাই পৰ্বত পাৰ হৈ ব্ৰহ্মপুত্ৰ উপত্যকালৈ আগমণ ঘটিছিল। আহোমসকল টাই বা হান বংশৰ লোক আছিল। এই বংশৰ চুকাফা নামৰ লোক এজনৰ নেতৃত্বত ১২২৮ খ্ৰী.ত আহোম ৰাজত্বৰ পাতনি মেলিছিল। চুকাফাই লগত হাতী, ঘোঁৰা, মুনিহ-তিৰোতা আৰু ভালেমান অস্ত্ৰ-শস্ত্ৰ আদি আনিছিল। অসমত প্ৰৱেশ কৰোতে তেওঁ বাটতে নগাসকলৰ পৰা বাধা পাইছিল। কিন্তু, তেওঁ নগাসকলক পৰাস্ত কৰি বৈশ্যতা স্বীকাৰ কৰাইছিল। এনেদৰে লাহে লাহে আহি চুকাফাই দিহিং নৈ পাৰ হৈ তিপাম নামে ঠাইত উপস্থিত হৈছিল। তাৰ পিছত শলুগুৰি, অভয়াপুৰী, হাবুং, লিগিৰা গাঁও, শিমলুগুৰি আদি কেইবাখনো ঠাইত উপস্থিত হৈছিল যদিও বানপানীৰ ফলত সেই ঠাই ত্যাগ কৰিবলগা হৈছিল। অৱশেষত ১২৫৩ চনত শিৱসাগৰ জিলাৰ চৰাইদেউত স্থায়ীকৈ ৰাজধানী পাতিলে। আহোমসকলে অসমত ৬০০ বছৰ জুৰি ৰাজত্ব কৰিছিল।

আহোম ৰাজত্ব কালত শিৱসাগৰ জিলাত নিৰ্মিত বিভিন্ন ধৰণৰ বুৰঞ্জী বিখ্যাত কৃৰ্তিচিহ্নসমূহ ঃ

**জয়সাগৰ পুখুৰী ঃ** শিৱসাগৰ নগৰৰ পৰা এই জয়সাগৰ পুখুৰীটো ১৬৯৭ চনত ৰুদ্ৰসিংহই তেওঁৰ মাতৃ জয়মতীৰ স্মৃতিত জেৰেঙা পথাৰত খন্দাইছিল। শিৱসাগৰ নগৰৰ পৰা প্ৰায় পাঁচ কিলোমিটাৰ দক্ষিণত অৱস্থিত অসমৰ সৰ্ববৃহৎ ৰজাদিনীয়া পুখুৰী। এই পুখুৰীটোৰ মাটি কালি ৩১৮ একৰ (১১৭ পুৰা ১ বিঘা ৯ লেচা)। এই পুখুৰীটো খান্দোতে তিনিমাহ চৈধ্য দিন লাগিছিল। এই জয়সাগৰ পুখুৰীৰ পাৰত পাঁচটা প্ৰসিদ্ধ দৌল আছে। এইকেইটা হ'ল— জয়দৌল, শিৱদৌল, দেৱীদৌল, শ্ৰীসূৰ্য আৰু শ্ৰীগণেশ মন্দিৰ।

প্ৰতি বছৰে চ'ত মাহৰ শুক্লা একাদশীৰ দিনা ইয়াত জয়মতী তিথি সমাৰোহ পালন কৰা হয়।

**নামদাঙৰ শিলৰ সাঁকো ঃ** ১৭০৩ চনত নামদাঙৰ শিলৰ সাঁকো আহোম স্বৰ্গদেউ ৰুদ্ৰসিংহই নিৰ্মাণ কৰোৱাইছিল। শিৱসাগৰৰ নামদাং নদীৰ ওপৰত থকা আহোম ৰাজত্ব কালৰ প্ৰসিদ্ধ দলং হ'ল নামদাঙৰ শিলৰ সাঁকো। এটা প্ৰকাণ্ড শিলত সুৰঙ্গ কাটি উলিওৱা এই সাঁকোৰ দৈৰ্ঘ্য ১০২ ফুট, বহল ২১½ ফুট আৰু ৫½ ফুট ডাঠ আছিল। শিৱসাগৰ নগৰৰ পৰা প্ৰায় ১২ কিলোমিটাৰ পশ্চিমত অৱস্থিত এই সাঁকোৰ ওপৰেদিয়েই ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথ পাৰ হৈ গৈছে।

**ৰংঘৰ ঃ** ১৭৪৬ চনত স্বৰ্গদেউ প্ৰমত্ত সিংহই হাঁহকণী আকৃতিৰ ৰংঘৰটো সজাইছিল। আহোম ৰজা আৰু ডা-ডাঙৰীয়া সকলে খেল-পথাৰত হোৱা বিভিন্ন ধৰণৰ বহি চাবলৈ ৰংঘৰটো নিৰ্মাণ কৰাইছিল। ৰংঘৰটো আঠকোণীয়া পকী আৰু দুমহলীয়া। প্ৰথমে এই ৰংঘৰটো ১৬৯৬ চনত ৰুদ্ৰসিংহই কাঠ-বাঁহেৰে চাংঘৰ আকৃতিৰ এটা ৰংঘৰ সাজিছিল। এই ৰংঘৰৰ ওপৰ মহলাত সিংহপীৰা পাতি তাত বহি আহোম ৰজাসকলে পথাৰত অনুষ্ঠিত হোৱা মেলসমূহৰ আনন্দ লাভ কৰিছিল। এই ৰং-ঘৰটোতে অতিথিসকলৰ অভ্যৰ্থনা, নাচ-গান আদি অনুষ্ঠানো হৈছিল।

**তলাতল ঘৰ ঃ** ১৭৬৫ চনত স্বৰ্গদেউ ৰাজেশ্বৰ সিংহই আহোম ৰাজকাৰেং তলাতল ঘৰটো নিৰ্মাণ কৰাইছিল। শিৱসাগৰ চহৰৰ পৰা ৬ কিলোমিটাৰ দূৰত অৱস্থিত আহোম ৰাজকাৰেং তলাতল ঘৰ। তলাতল ঘৰটো আছিল সাত মহলীয়া আৰু তাৰে তিনি মহলা মাটিৰ তলত আছিল। মাটিৰ তলৰ তৃতীয় মহলাৰ পৰা প্ৰায় আঢ়ৈ কিলোমিটাৰ দীঘলৰ এটা সুৰংগ দিখৌ নৈত লাগিছেগৈ। বৰ্তমান এই সুৰংগটো বন্ধ।

**কাৰেংঘৰ ঃ** ১৭৫২ চনত স্বৰ্গদেউ ৰাজেশ্বৰ সিংহই আহোমৰ ৰাজপ্ৰাসাদ কাৰেংঘৰটো নিৰ্মাণ কৰাইছিল। এই কাৰেংঘৰটো সাত মহলীয়া আছিল। তাৰে দুমহলা মাটিৰ তলত আৰু পাঁচ মহলা ওপৰত, তলৰ মহলাৰ পৰা ৰংপুৰৰ (বৰ্তমান শিৱসাগৰ) তলাতল ঘৰলৈ আহিব পৰা প্ৰায় ১৬ কিলোমিটাৰ দূৰত এটা সুৰংগ আছে। কাৰেংঘৰটো দীঘলে ১২০ হাত আৰু বহলে ৩০ হাত; এই ঘৰটোত ৬৬ টা স্তম্ভ আছে। প্ৰত্যেকটো বিতোপন স্তম্ভৰ বেৰ বা পৰিধি ৪ হাতকৈ আছে। কাৰেংঘৰটোৰ চৌদিশে এটা বহল আলি আছে আৰু তাৰ কাষে কাষে তাঁতীৰ গড়। গড়ৰ সন্নিকট দূৰত্বত কাষে কাষে মাউতে হাতীয়ে তলত যোৱা দ খাৱৈ আছে। এই গড়খাৱৈটোৱে বাৰমাহে পানী আছিল। এই কাৰেংঘৰটো নিৰ্মাণ কৰোতে ১২,০০০ অসমীয়া বাঢ়ৈয়ে এক বছৰত সম্পূৰ্ণ কৰিছিল।

**শিৱদৌল ঃ** শিৱসিংহৰ দিনত শিৱ দৌলটোৱেই আহোম যুগৰ সকলো দৌলতকৈ বৃহৎ। ই প্ৰায় ৪.৫ একৰ মাটি আগুৰি আছে। ইয়াৰ দুটা ভাগ আছেথ, সেই দুটা হ'ল— মণ্ডপ আৰু গৰ্ভগৃহ। গৰ্ভগৃহটোৰ ওপৰতে শিখৰটো নিৰ্মাণ কৰা হৈছিল। মন্দিৰটোৰ শীৰ্ষত সোণৰ এটা কলচি আছে।

শিৱসাগৰ জিলাৰ বিভিন্ন আহোম যুগৰ স্মৃতিচিহ্ন সমূহ আহোম সকলৰ মান-মৰ্যদাৰ সাক্ষী হিচাপে বৰ্তমান বৰ্তি আছে। ই বিভিন্ন কীৰ্তিচিহ্নসমূহ চৰকাৰ লগতে সমাজৰ সকলো সম্পূৰ্ণৰূপে সংৰক্ষণ কৰিব পাৰিলে পৰ্যটক বিভিন্ন দিশত আকৰ্ষণ কৰিব পাৰিব।

*সহায়ক গ্ৰন্থপঞ্জী ঃ-*

বৰুৱা শান্তনু কৌশিক - *অসম বুৰঞ্জী নানা কথা* (ৰেখা প্ৰকাশন, ২০০৯)

# ত্ৰাস, অবিশ্বাস আৰু অন্ধবিশ্বাস

সীমান্ত ৰাভা
প্ৰথম ষান্মাষিক

যুগৰ সৃষ্টি কৰে পৰিৱৰ্তনে। পৰিৱৰ্তনৰ সাক্ষী হৈ ৰয় সমসালীন সমাজ, যি খোদিত হৈ ৰয় ইতিহাসৰ পাতে পাতে। বৰ্তমানৰ সমাজ ব্যৱস্থাত গা কৰি উঠা কেতবোৰ অবিশ্বাস্য-নৃশংস অন্ধবিশ্বাসে আমাৰ সমাজখনক আলোড়নৰ সৃষ্টি কৰিছে। তাৰেই পৰিণতিত আজিৰ মানৱ সমাজে কিছুমান অতি লজ্জাজনক কাম হাতত লৈ নৃশংসতাৰ পথেৰে আগবাঢ়ি গৈছে।

যুগৰ পৰিৱৰ্তনৰ লগে লগে সমকালীন সমাজ অতিক্ৰম কৰি বৰ্তমানৰ সমাজত এচাম অন্ধবিশ্বাসী লোকে নিৰীহ আৰু নিৰ্দোষী লোকক নৃশংসভাৱে হত্যা আৰু অত্যাচাৰ কৰাটো অত্যন্ত দুঃখজনক কথা। সমগ্ৰ বিশ্বতে বিয়পি থকা এই অন্ধবিশ্বাসৰ জন্ম কেতিয়া হ'ল সেই কথা জনা নাযায়। মহাভাৰতৰ যুগত ভীষ্মক কন্যা ৰুক্মিণীয়ে নিজৰ স্বয়ম্বৰলৈ শ্ৰীকৃষ্ণ অহালৈ অধীৰভাৱে অপেক্ষা কৰি থাকোতে যেতিয়া তেওঁৰ বাওঁচকু লৰিছিল, তেতিয়া কৃষ্ণ আহি পালেহি বুলি জানি সখীসকলক কৈছিল—

ৰুক্মিণীয়ে বোলে সখী বাম অংগ লৰে।

বেদনিধি সংগে কৃষ্ণ আসিবাক পাৰে।।

আজিও আমাৰ সমাজত পুৰুষৰ সোঁ আৰু নাৰীৰ বাওঁ অংগ লৰিলে শুভ আৰু ইয়াৰ বিপৰীত দিশৰ অংগ লৰিলে অশুভ বুলি বিশ্বাস কৰা হয়। এয়াই হ'ল আজিৰ সমাজৰ অবিশ্বাসক বিশ্বাসযোগ্য কৰি তোলাৰ এক উত্তম উপায়। কোনোবাফালে ওলাই যাওঁতে পিছফালৰ পৰা মাতিব নাপায়; 'পৰীক্ষালৈ যাওঁতে কণী, আলু খাই যাব নাপায়' —এনে ধৰণৰ বহু বৈজ্ঞানিক ভিত্তি নথকা অন্ধবিশ্বাসে আজিৰ প্ৰযুক্তিবিদ্যাৰ যুগত বিভ্ৰান্তিৰ সৃষ্টি কৰে। অৱশ্যে 'বাঁহী চোতাল গচকিলে আয়ুস ক্ষয় হয় বোলা ধৰণৰ কিছুমান বিশ্বাসৰ ভিত্তি নথকা নহয়, কাৰণ অপৰিষ্কাৰ চোতালত থকা বিভিন্ন বীজাণুৱে শৰীৰৰ ক্ষতি কৰাৰ সম্ভাৱনা থাকে। এই ধৰণৰ বিশ্বাস-অবিশ্বাসৰ দোমোজাত পৰি মানুহে কোনটো পথেৰে গতি কৰিব সেই কথা থিৰাং কৰিব নোৱাৰি অন্ধবিশ্বাসৰ গৰাহত পৰে।

অন্ধবিশ্বাস হ'ল মানুহৰ মন এক কাল্পনিক সৃষ্টি। এঠা জাতি বা এখন সমাজৰ ধৰণ-কৰণ আৰু জাতিটোৰ মনস্তত্বৰ লগত এনে বিশ্বাসবিলাক জড়িত হৈ পৰম্পৰাৰ দৰে হৈ পৰে। আজিৰ সমাজৰ ভয়ানক সমস্যাৰূপে থিয় দিছে 'ডাইনী'ৰ দৰে অন্ধবিশ্বাসী কল্পনাতীত এক মানৱ মনৰ সৃষ্টি। ডাইনী সন্দেহত বহুতো নিৰীহ-নিৰপৰাধী লোকক নৃশংসভাৱে হত্যা কৰি আজিৰ বিজ্ঞানৰ যুগত এক বিস্ফোৰণ ঘটাইছে। এই 'ডাইনী'ৰ জীৱন কাহিনী আজি যেন সমাজে পঢ়িবলৈ আহৰি নাপায়। বিজ্ঞানৰ উন্নতি শীৰ্ষত উপনীত হোৱাৰ পিছত আজিও বৰ্বৰোচিত ভাবে অন্ধবিশ্বাসৰ বলি হৈ 'ডাইনী'ৰ নামত নিৰীহ-নিষ্পাপ লোকৰ প্ৰাণ লোৱাৰ অধিকাৰ বাৰু কাৰোবাৰ আছেনে? এয়াই নেকি বিজ্ঞানৰ চৰম শীৰ্ষত থকা আধুনিক সভ্য সমাজ?

বৰ্তমান আমাৰ সমাজৰ 'ডাইনী'য়েই নহয়— যখিনী, বাঁক, বীৰা, প্ৰেত ইত্যাদি বিশ্বাসেও সমাজৰ স্থান অধিকাৰ কৰি থকা দেখা যায়। কিছু বছৰ আগতে হৈ যোৱা কেইটামান ঘটনা যেনে— 'মংকি-মেন', 'ষ্টোন-মেন', 'উলংগ-মানৱ', 'পিছল মানুহ', 'সোপাধৰা' ইত্যাদিৰ বিষয়ে আপোনালোকে নিশ্চয় শুনিছে। তিনি বছৰমান আগতে এই আমোদজনক অন্ধবিশ্বাসে নিৰক্ষৰ লোকৰ লগতে শিক্ষিত লোককো আতংকিত কৰি সমাজত যেন এক বেমাৰৰ সৃষ্টি কৰিছিল। এই ঘটনাত কেইবাজনো নিৰীহ লোকে প্ৰাণ ত্যাগ কৰিবলগীয়া হৈছিল।

'ডাইনী'ৰ দৰে অন্ধবিশ্বাসক বিশ্বাসযোগ্য কৰি এজন মানুহক 'ডাইনী' সজাই নৃশংসভাৱে হত্যা কৰি হত্যাকাৰীয়ে আজিও মুকলি আকাশৰ তলত স্বাধীনভাৱে দপদপাই ফুৰিছে। আৰু যিজনে 'ডাইনী'ৰ নামত প্ৰাণ দিব লগা হ'ল তেওঁ আচলতে কোন? নিশ্চয় সমাজে নাজানে? যদি নাজানো তেতিয়াহ'লে তেওঁক হত্যা কৰাৰ যুক্তি বাৰু কাৰোবাৰ আছেনে? আৰু হত্যাকাৰীক শাস্তি প্ৰদান কৰা নহ'ল কিয়? ইয়াক ৰাষ্ট্ৰই ৰোধ কৰিব নোৱাৰেনে? নে ৰাষ্ট্ৰই জানি বুজিয়ে ইয়াক কৰিবলৈ দিছে?

এইবিলাকৰ উপৰি মাজে-সময়ে কিছুমান যুক্তিহীন কথাই মানুহক বিভ্ৰান্তিত পেলায়। যেনে নিমিষতে দুৰাৰোগ্য ৰোগ ভাল কৰিব পৰা কোনোবা বেজৰ ঔষধ, অমুক-তমুকত দেৱ-দেৱীৰ আৱিৰ্ভাৱ ইত্যাদি বাতৰিৰ শিৰোনামাই আতংকৰ সৃষ্টি কৰে। ইয়াৰ বাবে মানুহ দায়ী নহয়। সংবাদ মাধ্যমেও এনেক্ষেত্ৰত যথেষ্ট

অবিহণা যোগায়। আচলতে বাতৰিৰ বাবেই বা সস্তীয়া জনপ্ৰিয়তাৰ বাবেই বাতৰি প্ৰচাৰ নকৰি পৰিৱেশ, পৰিস্থিতি সাপেক্ষে প্ৰচাৰ কৰা বাতৰি আদৰণীয় হয়।

হেপাই কন্দাটোকে যদি যখিনীয়ে কান্দিছে বুলি বাতৰি সম্প্ৰচাৰিত হয় তেন্তে মানুহ আতংকিত হোৱাটো স্বাভাৱিক। গতিকে বাতৰি কাকত বা সংবাদদাতাসকলে এই ক্ষেত্ৰতে সন্ধানী মনোবৃত্তিৰ পৰিচয় দিয়াতকৈ ভাৰ-প্ৰৱণতাৰ অতিৰঞ্জিত বৰ্তমানৰ মাজত নিজৰ ব্যক্তিত্বক উটুৱাই দিয়ে। ফলত সমাজত গ্ৰহণ অযোগ্য বিশ্বাসকো বিশ্বাসযোগ্য কৰি অন্ধকাৰ বাটেৰে আগুৱাই লৈ যায় আৰু মানুহেও সেই বাটকে আকোঁৱালি লৈ অন্ধবিশ্বাসৰ ভয়াবহ পাকচক্ৰত সোমাই পৰে। ইয়াৰ ফলত অন্য কাৰণত মৃত্যুবৰণ কৰা লোককো 'ডাইনী', 'যখিনী', 'সোপাধৰা'ই হত্যা কৰা বুলি বাতৰি ওলায়। কিন্তু এই মৃত্যুঞ্জয়ী বিপ্লৱীসকলৰ সংগ্ৰামক সমাজৰ আগত তুলি ধৰিবলৈ গ'লে তোমাৰ-মোৰ দৰে মানুহকে 'ডাইনী' বুলি সমাজে গ্ৰহণযোগ্য কৰি হত্যা কৰিবলৈ উদ্যত হয়।

আজি একবিংশ শতিকাৰ বিজ্ঞানৰ চৰম শিখৰত উপনীত হোৱাৰ সময়তে অনাখৰী অশিক্ষিত জনজাতিৰ মাজত প্ৰচলিত অন্ধবিশ্বাস আৰু কু-সংস্কাৰ কেতিয়ালৈ চলিব? ৰাইজে উপলব্ধি কৰিব লাগিব সুখ-শান্তিৰে ভৰা এখন সমৃদ্ধিশালী সমাজৰ বিৱৰ্তনৰ বাবে আমাক কি লাগে? যুদ্ধৰ পৰা মুক্তি—মনৰ অভ্যন্তৰ আৰু বাহিৰৰ যুদ্ধ। তদুপৰি আমাক লাগে আনক দিব পৰা আৰু মানুহক শক্তি বা ক্ষমতা দিব পৰা একোখন মানৱ হৃদয়। প্ৰবুদ্ধ নাগৰিকৰ অৰ্হতা, উপযুক্ত শিক্ষা, সমাজ সচেতনতা আৰু আধ্যাত্মিক জ্ঞান ইত্যাদিৰ বিকাশ ঘটিলে এই কু-প্ৰথাবিলাক কেতিয়াও সমাজলৈ আহিব নোৱাৰে! বুলি মই ভাবোঁ।

# কুইজ

—সীমান্ত ৰাভা

প্ৰথমষান্মাসিক

১। 'ছী অৰ মিল্ক' অৰ্থাৎ গাখীৰৰ সাগৰ বুলি ভাৰতৰ এটা জলপ্ৰপাতক কোৱা হয়। জলপ্ৰপাতৰ উচ্চতা ৩১০ মিটাৰ। দেশৰ ষষ্ঠ বৃহৎ জলপ্ৰপাত। এই জলপ্ৰপাতটো ক'ত আছে?

উত্তৰ ঃ গোৱাত ।

২। বিশ্বৰ সংগীত ক্ষেত্ৰত 'গড ফাডাৰ' ৰূপে চিহ্নিত প্ৰখ্যাত সংগীত সাধক পণ্ডিত গৰাকীৰ নাম কি ?

উত্তৰ ঃ ৰবি শংকৰ ।

৩। পূৰ্বাঞ্চলৰ কোনটো জনগোষ্ঠীয়ে পালন কৰা উৎসৱটোৰ নাম 'ৰং চুং গাৰা' ।

উত্তৰ ঃ গাৰো ।

৪। ভাৰতবৰ্ষৰ দীৰ্ঘতম নদী দলংখনৰ নাম কি?

উত্তৰ - মহাত্মা গান্ধী সেতু ।

৫। ভাৰত শব্দৰ ভাবাৰ্থটো কি ?

উত্তৰ ঃ ভাব-ৰাগ-তাল ।

৬। আশাপূৰ্ণা দেৱী, অমৃতা প্ৰীতম, মহাদেৱী বাৰ্মা, কুৰাটুলেইন হাইদৰ. মহাশ্বেতা দেৱী, ইন্দিৰা গোস্বামী আৰু প্ৰতিভা ৰয়— কি সম্পৰ্ক আছে বাৰু এই কেইগৰাকী মহিলাৰ মাজত ?

উত্ত ঃ জ্ঞানপীঠ বঁটা বিজয়ী মহিলা ।

৭। তিনিখন ৰাজধানী থকা বিশ্বৰ একমাত্ৰ দেশখন হ'ল— দক্ষিণ আফ্ৰিকা। প্ৰিটোৰিয়া আৰু কেপটাউন হৈছে দেশখনৰ দুখন ৰাজধানী চহৰ। তৃতীয়খন কি বাৰু ?

উত্তৰ ঃ ব্ল'মফটেইন ।

৮। ১২৬ টা অসম বিধান সভা সমষ্টিৰ ভিতৰত ১২৬ নম্বৰ সমষ্টিটোৰ নাম কি ?

উত্তৰ ঃ শদিয়া ।

৯। ভাৰতৰ 'গ্ৰেণ্ড-ট্ৰাক-ৰোজ' য'ৰ পৰা আৰম্ভ হৈছে সেই ঠাইখনৰ নাম হ'ল—জাহাংগীৰ নগৰ ।। জাহাংগীৰ নগৰৰ বৰ্তমানৰ নাম কি ?

উত্তৰ ঃ ঢাকা ।

১০। অসমৰ কোনজন মানুহ ১মাহৰ বাবে মুখ্যমন্ত্ৰী হৈছিল ?

উত্তৰ ঃ ভূমিধৰ বৰ্মণ ।

১১। আজগৰ, স্বামী, আৱান গান্ধা, কিংকাৰ, গুলাম দাসৰ সম্বন্ধ কি ?

উত্তৰ চৈয়দ আব্দুল মালিকৰ উপনাম ।

১২। ১৯১৪ চনত প্ৰথম বিশ্বযুদ্ধ আৰম্ভ হৈছিল। এই যুদ্ধ কোন দুখন দেশে প্ৰথমে ঘোষণা কৰে?

উত্তৰ ঃ অষ্ট্ৰিয়া আৰু ছাৰ্বিয়া ।

১৩। 'Blue Moon' বুলিলে কি বুজা যায় ?

উত্তৰ ঃ যদি এটা মাহতে দুটা পূৰ্ণিমা হয় ; তেতিয়া তাক 'Blue Moon' বোলা হয়।

১৪। ভাৰতীয় নিৰ্বাচন আয়োগে ২০১৪চনৰ পৰা এটা পদ্ধতি ব্যৱহাৰ কৰিছিল। সেইটো হ'ল— 'NOTA'। ইয়াৰ সম্পূৰ্ণ নামটো কি ?

উত্তৰ ঃ None of the above1n,

১৫ । অস্কাৰ বঁটা আৰু সাহিত্য অকাডেমী বঁটা লা ভ কৰা একমাত্ৰ ব্যক্তিজনে কোন ?

উত্তৰ ঃ জৰ্জ বাৰ্ণাড শ্ব' ।

১৬ । এলেন শ্বেফাৰ্ড' নামৰ এজন ব্যক্তিয়ে চন্দ্ৰৰ বুকুও এবিধ খেল খেলি বিস্ময়ৰ সৃষ্টি কৰিছিল তেওঁ কি খেল খেলিছিল?

উত্তৰ ঃ গলফ